www.newsnextone.com
# e সংবাদ
WEDNESDAY, JANUARY 08, 2025 ■ বুধবাৰ, ২৩ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৪ Guwahati, Assam ।। মূল্যঃ এটকা

## জাগীৰোডত গঁড়ৰ আক্ৰমণ, এজন আহত

ই-সংবাদ, জাগীৰোড, ৭ জানুৱাৰীঃ জাগীৰোডৰ কাকৰজলাহ অঞ্চলত মঙলবাৰে পুৱতি ৪ পৃষ্ঠাত চাওক

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### দিল্লী বিধানসভা
## ৫ ফেব্ৰুৱাৰীত হ'ব নিৰ্বাচন

নতুন দিল্লী, ৭ জানুৱাৰীঃ দিল্লীৰ ৰাজনীতিত পুনৰ এবাৰ বাজিছে ভোটযুদ্ধৰ দামামা। আজি নিৰ্বাচন আয়োগে ঘোষণা কৰিছে দিল্লীৰ শেষাংশ ৩ পৃষ্ঠাত



তিব্বতত ভূমিকম্পত বিধ্বস্ত অঞ্চলত চীনৰ দুৰ্যোগ প্ৰশমন বিভাগৰ উদ্ধাৰ অভিযান

### তিব্বতত শতাধিক লোক নিহত
## ভূমিকম্পত তছনছ নেপাল-তিব্বত সীমান্ত

কাঠমাণ্ডু, ৭ জানুৱাৰীঃ নতুন বছৰৰ আৰম্ভণিতে প্ৰৱল ভূমিকম্পই ধ্বংসস্তূপত পৰিণত কৰিলে নেপাল-তিব্বত সীমান্তৰ বিস্তৃৰ্ণ অঞ্চল ৭.১ ৰিখটাৰ স্কেলৰ এই ভূমিকম্পৰ ফলত কমেও ১০৫ জন শেষাংশ ৩ পৃষ্ঠাত

# উমৰাংছুৰ কয়লা কাণ্ডই উদঙাইছে ক'লা অধ্যায়



## গাৰ্লোছাৰ পত্নীৰ ঘনিষ্ঠই চলাই গৈছিল এই অবৈধ খনন!

ই-সংবাদ, ৭ জানুৱাৰীঃ আইনী বাধ্যবাধকতাৰ বাবে অসমত কয়লাৰ খনন বন্ধ হৈ থকা বুলি পতিয়ন নিব খোজা হয় শেষাংশ ৬ পৃষ্ঠাত

ই-সংবাদ, ৭ জানুৱাৰীঃ সততে দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে শূন্য সহনশীল বুলি দাবী কৰি অহা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা প্ৰশাসনৰ নাকৰ তলতে চলি আছিল অবৈধ কয়লাৰ খনন। হিমন্ত বিশ্ব শৰ্মা শেষাংশ ৪ পৃষ্ঠাত

## দৰং, কোকৰাঝাৰত উঠিছে কান্দোনৰ ৰোল



ই-সংবাদ বিশেষ, কোকৰাঝাৰ-খাৰুপেটীয়া, ৭ জানুৱাৰীঃ দৰিদ্ৰতাৰ বাবেই উমৰাংছু কালামাটিৰ কয়লাখনিত কাম কৰিবলৈ গৈ শেষাংশ ৫ পৃষ্ঠাত

## এপিএছচিৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়



ই-সংবাদ, গুৱাহাটী, ৭ জানুৱাৰীঃ আজি ৰাজ্য চৰকাৰে এক নিৰ্দেশনাযোগে অসম শেষাংশ ২ পৃষ্ঠাত

## পিকে অসুস্থ! আইচিইউত ভৰ্তি

পাটনা, ৭ জানুৱাৰীঃ পাটনাৰ গান্ধী ময়দানত আমৰণ অনশনত ৪ পৃষ্ঠাত

## এয়াৰ ইণ্ডিয়াৰ বিমানত আকৌ ঘটিল অঘটন

নতুন দিল্লী, ৭ জানুৱাৰীঃ পুনৰ এবাৰ মধ্য আকাশত বিমানৰ ভিতৰত বিয়পি পৰিল শেষাংশ ৫ পৃষ্ঠাত

### হাজাৰ হাজাৰ বিজেপি কৰ্মীৰ প্ৰতিবাদত উত্তাল হাফলং
## বিজেপি নেতাৰ দুৰ্নীতিক লৈ সৰৱ বিজেপি সদস্য

ই-সংবাদ, গুৱাহাটী-হাফলং ৭ জানুৱাৰীঃ বিজেপি নেতা, বহিঃৰাজ্যৰ লবীৰ তৎপৰতাত ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ লগতে ডিমা হাচাও জিলাত কয়লা, চূণশিল আদি বিভিন্ন চিণ্ডিকেট অব্যাহত আছে। আনহাতে, ডিমা-হাচাওৰ বিজেপিৰ তৃণমূলৰ নেতা-কৰ্মীৰ অভিযোগ সত্য প্ৰমাণিত হৈছে। ডিমা-হাচাওত ৬ পৃষ্ঠাত



## ৩৭ দেশৰ ৰাষ্ট্ৰদূতক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ৭ জানুৱাৰীঃ মুম্বাইত বিগত তিনিটা দিনত দেশৰ কেবাগৰাকী উদ্যোগপতিক ৩ পৃষ্ঠাত

## ৰহস্যজনক! গহপুৰত বনকৰা যুৱতীৰ মৃত্যু

ই-সংবাদ, গহপুৰ, ৭ জানুৱাৰীঃ এগৰাকী মহকুমা ন্যায়িক শেষাংশ ৫ পৃষ্ঠাত

## অসম গ্ৰন্থমেলাৰ শেষ দিনটোত ৭ কোটিৰ গ্ৰন্থ বিক্ৰী



### পূৰ্বৰ অভিলেখ ভংগ

ই-সংবাদ, গুৱাহাটী, ৭ জানুৱাৰীঃ সাহিত্য-সংস্কৃতি, ভাষাতত্ব-ইতিহাসৰ এলানি বৰ্ণিল কাৰ্যসূচীৰে আয়োজন কৰা ১২ দিনীয়া অসম শেষাংশ ২ পৃষ্ঠাত

### ৰ'ৰ্ড হিটাৰ বিস্ফোৰণৰ ঘটনা
## তিতাবৰত অগ্নিকাণ্ড, অভিযন্তাৰ কৰুণ মৃত্যু



ই-সংবাদ তিতাবৰ, ৭ জানুৱাৰীঃ তিতাবৰ বৰহোলাৰ শিলডুবিস্থিত অ'এনজিচিৰ জিজিএছত আজি ২ পৃষ্ঠাত চাওক

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম গ্ৰন্থমেলাৰ শেষ দিনটোত ৭

গ্ৰন্থমেলা, গুৱাহাটীত প্ৰায় ৭ কোটি টকাৰ কিতাপ বিক্ৰীৰে সফল সামৰণি ঘটাই আজি নিজম পৰিল খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰ। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে আয়োজিত কৰা এই গ্ৰন্থমেলাৰ আজি সামৰণি সভা অনুষ্ঠিত হয়। ইয়াত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ সচিব আৰু কাৰ্যবাহী তথা শৈক্ষিক মুৰব্বী ড° সচ্চিদানন্দ যোশীয়ে। তেওঁ ভাষণত কয় যে অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই সফলতাৰে আয়োজন কৰা অসম গ্ৰন্থমেলাত মানুহৰ সোঁত দেখিবলৈ পাই অভিভূত হৈ পৰিছো। গ্ৰন্থমেলাত জনসমাগম হোৱা, কিতাপ বিক্ৰী হোৱাটো সমাজৰ বাবে আনন্দৰ বতৰা। গ্ৰন্থমেলা মানেই জ্ঞানৰ পেৰা মুকলি কৰি দিয়া স্থান। গ্ৰন্থমেলাত বিভিন্ন ভাষাৰ কিতাপ পোৱা যায়। ইয়াৰ জৰিয়তে ভাষিক সমাজৰ মাজত সম্প্ৰীতিৰ সেঁতু নিৰ্মাণ হয়। অসম গ্ৰন্থমেলাত ৭ কোটি টকাৰ গ্ৰন্থ বিক্ৰী হোৱাটো যথাৰ্থতে চমকপ্ৰদ। তেওঁ লগতে কয় যে অসমীয়া ভাষাই ২০২৪ বৰ্ষত ধ্ৰুপদী মৰ্যাদা লাভ কৰাটো গৌৰৱৰ বিষয়। মাতৃভাষাৰ উত্তৰণ মানেই জাতিৰ উত্তৰণ। নিজৰ ঠাইৰ বাহিৰত কাৰোবাৰ মুখত মাতৃভাষা শুনিলে মন আনন্দৰে ভৰি উঠে। মাতৃভাষাই সকলোকে একত্ৰিত কৰি ৰাখে। এয়া মাতৃভাষাৰ মহত্ব। দেশ মাতৃৰ মাটিও একেই। দেশৰ মাটিয়েই আমাৰ মাতৃ। ভাৰতবৰ্ষত পৃথিৱীৰ সবাটোকৈ অধিক প্ৰাচীন পাণ্ডুলিপি আছে। ইয়াৰ দ্বাৰা আমাৰ হাজাৰ বছৰীয়া সভ্যতাৰ বিষয়ে জানিব পৰা যায়। গ্ৰন্থই এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জ্ঞান কঢ়িয়াই নিয়ে। ড° যোশীয়ে ভাষণৰ মাজতে এটি চিন্তা উদ্দীপক কবিতা পাঠ কৰি সকলোকে মোহাবিষ্ট কৰে। আন এগৰাকী বিশিষ্ট অতিথি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, বিশিষ্ট গ্ৰন্থকাৰ-গৱেষক ড° ননীগোপাল মহন্তই কয় যে গ্ৰন্থ মানুহৰ সৰ্বোত্তম বিশ্বাসী বন্ধু। কিতাপে মানুহৰ মনৰ দুৱাৰ মুকলি কৰে। সুস্থ সমাজ এখন গঢ়াত গ্ৰন্থৰ ভূমিকা অপৰিসীম। অসম গ্ৰন্থমেলায়ো বৌদ্ধিক আন্দোলনৰ জৰিয়তে সুন্দৰ সমাজ নিৰ্মাণৰ প্ৰতিশ্ৰুতি বহন কৰা বুলি অনুভৱ হৈছে। অসম গ্ৰন্থমেলা এতিয়া অন্য এক জাতীয় অনুষ্ঠান হৈ পৰিছে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই গ্ৰন্থমেলাক মনোৰম ৰূপ দিছে আৰু আস্থাশীল কৰি তুলিছে। তেওঁ কয়, "ভাৰতৰ পৰম্পৰা হৈছে জ্ঞানৰ পৰম্পৰা। সমগ্ৰ পৃথিৱীতে ভাৰতে জ্ঞানৰ পোহৰ বিলাইছিল অতীজৰে পৰা। দক্ষিণ-পূৱ এছিয়াৰ ইতিহাসলৈ দৃষ্টি দিলেই এয়া পৰিস্ফুট পৰে। ব্ৰিটিছে এসময়ত মেকলেই চাহাবক আনি আমাৰ দেশৰ জ্ঞান পৰম্পৰাৰ ভেটিটো ভাঙি দিছিল। কিন্তু নতুন শিক্ষানীতিয়ে আমাৰ জ্ঞান পৰম্পৰাক পুনৰ প্ৰতিষ্ঠা কৰি বিজ্ঞান সন্মতভাৱে আগবঢ়াৰ পদক্ষেপ গ্ৰহণ কৰিছে।" ড° মহন্তই আকৌ কয়, "মোবাইল ফোন এতিয়া প্ৰাত্যহিক দুৰ্বৃত্ত হৈ পৰিছে। আমি ইয়াৰ দাসত্ব স্বীকাৰ কৰাৰ পৰা নিজকে ৰক্ষা কৰিব লাগিব। কিতাপেই আমাক সেই শক্তি প্ৰদান কৰিব। গ্ৰন্থই মানুহক মানুহৰ হিতৰ হকে মাত মাতিবলৈ শিকায়।" তেওঁ ভাষণৰ মাজতে জ্যোতিপ্ৰসাদ আৰৱালা, হেম বৰুৱাৰ কবিতা আবৃত্তি কৰি অনুষ্ঠানটি সমৃদ্ধ কৰে। সভাত সভাপতিৰ আসন শুৱনি কৰে বিশিষ্ট অভিধান প্ৰণেতা, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই। তেওঁ কয় যে গ্ৰন্থৰ প্ৰতি মানুহৰ আগ্ৰহ দেখি আনন্দ লাগিছে। ইয়ালৈ আহি সকলোৱে কিতাপৰ সান্নিধ্য লাভ কৰিছে। ইয়াৰ ফলত অধ্যয়নৰ পৰিৱেশ গঢ়ি উঠিব বুলি বিশ্বাস হৈছে। ইয়াত বহু লেখক-সাহিত্যিক, গুণী-জ্ঞানী ব্যক্তিৰ সমাৱেশ ঘটিছে। গ্ৰন্থমেলাৰ এয়াই শুভ পৰম্পৰা, আশাৰ বতৰা। ৰাইজৰ সহযোগিতাৰে অসম গ্ৰন্থমেলা, গুৱাহাটী সাফল্যমণ্ডিত হৈছে। ইয়াৰ বাবে সকলো পক্ষকে ধন্যবাদ জ্ঞাপন কৰিছো।" সভাত আদৰণী ভাষণ প্ৰদান কৰি অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই কয় যে চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ যৌথ উদ্যোগত অসম গ্ৰন্থমেলা আয়োজন কৰাৰ উদ্দেশ্য হৈছে গ্ৰন্থ আন্দোলনক সমৃদ্ধ কৰা। লেখক-প্ৰকাশক আৰু পঢ়ুৱৈ ৰাইজৰ সহযোগত এই কাৰ্যসূচী সফল হোৱা বুলি ক'ব পাৰি। গ্ৰন্থমেলা মানে কেৱল সাহিত্যৰ কিতাপৰ মেলা নহয়। ইয়াত ভিন ভিন বিষয় আৰু লক্ষ্য থাকে। সেয়েহে অসম গ্ৰন্থমেলাত সাহিত্য-সংস্কৃতি, ইতিহাস-ঐতিহ্য, জ্ঞান-বিজ্ঞানৰ বিভিন্ন বিষয় সামৰি গুৰুত্বপূৰ্ণ আলোচনা সত্ৰ অনুষ্ঠিত কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থমেলাত জৰিত কৰোৱা হৈছে। যোৱা ১২ দিনত প্ৰায় ৫ লক্ষাধিক গ্ৰন্থপ্ৰেমীয়ে ইয়াত ভিৰ কৰিছে। বিভিন্ন প্ৰকাশনৰ মুঠ ১১৮ টা গ্ৰন্থ বিপণী ইয়াত আছে। যোৱা ১২ দিনত গ্ৰন্থৰ বিক্ৰীয়ে প্ৰায় ৭ কোটিৰ ঘৰ স্পৰ্শ কৰিছে। অসম গ্ৰন্থমেলা, গুৱাহাটী সফল্যমণ্ডিত কৰাৰ বাবে সকলো পক্ষকে ধন্যবাদ জ্ঞাপন কৰি সচিব কলিতাই লগতে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৫ বৰ্ষটোক কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰিছে আৰু জিলাই জিলাই গ্ৰন্থমেলা অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিছে। অসমবাসীৰ বাবে এয়া অতি আনন্দৰ বতৰা। মুখ্যমন্ত্ৰীৰ এনে পৰিকল্পনাৰ বাস্তৱায়নে ৰাজ্যখনত অধ্যয়ন সংস্কৃতিক অধিক গতিশীল কৰাৰ লগতে বৌদ্ধিক পৰিৱেশকো অধিক শক্তিশালী কৰিব। সামৰণি সভাত উপস্থিত থাকে সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সাধাৰণ সম্পাদক হৰেন কলিতা প্ৰমুখ্যে আন আন বিষয়ববীয়া সকল। শিল্পী তন্ময়ী বৰাই শাস্ত্ৰীয় নৃত্যৰ আধাৰত পৰিৱেশন কৰা এটি শিৱ বন্দনা পৰিৱেশনেৰে অসম গ্ৰন্থমেলা, গুৱাহাটীৰ সামৰণি অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিতাবৰত অগ্নিকাণ্ড, অভিযন্তাৰ কৰুণ

আবেলি এক ভয়াবহ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। জুই আৰু ধোঁৱাৰ ৰূপ দেখি স্থানীয় গাঁওসমূহৰ লোকসকলো অতিকৈ আতংকিত হৈ পৰে। জিজিএছৰ ভিতৰত থকা ৱাৰ্ড হিটাৰ বিস্ফোৰণৰ ফলতে এই ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয় বুলি এক সূত্ৰৰ পৰা জানিব পৰা গৈছে। ইফালে দুৰ্ভাগ্যজনকভাৱে সংঘটিত অগ্নিকাণ্ডৰ মাজত মৃত্যুক সাৱটি লয় এগৰাকী অভিযন্তাই। মৃত্যু ঘটা অভিযন্তাগৰাকীৰ নাম ৰাহুল দত্ত বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, জিজিএছত মেকানিকেল বিভাগত কৰ্মৰত আছিল কলকাতাৰ নিৱাসী ৰাহুল দত্ত। দুৰ্ঘটনাৰ পিছতে উদ্ধাৰ কৰি সংকটজনক অৱস্থাত অভিযন্তাগৰাকীক হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। আনহাতে জিজিএছৰ ভিতৰত কৰ্মৰত আন কেইবাজনো লোক এই অগ্নিকাণ্ডত গুৰুতৰভাৱে আহত হোৱা বুলি জানিব পৰা গৈছে। আহতসকলকো চিকিৎসাৰ বাবে চিকিৎসালয়লৈ নিয়া হয়। ইফালে, কেইবাখনো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুই নিৰ্বাপন কৰিবলৈ চেষ্টা কৰে। অগ্নিকাণ্ডৰ পিছতো বহু সময় ধৰি এলেকাটোত এক আতংকময় পৰিৱেশে বিৰাজ কৰা পৰিলক্ষিত হয়। ইফালে এই ঘটনা সন্দৰ্ভত বিভাগীয় অনুসন্ধান অব্যাহত ৰখা বুলি এক বিবৃতিযোগে জানিবলৈ দিয়ে অএনজিচিৰ কৰ্তৃপক্ষই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এপিএছচিৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়

লোকসেৱা আয়োগৰ অধ্যক্ষ নিযুক্তি দিছে। অসম আৰক্ষীৰ একালৰ চৰ্চিত বিষয়া প্ৰাক্তন আইপিএছ দেৱৰাজ উপাধ্যায়ক অসম লোকসেৱা আয়োগৰ অধ্যক্ষ নিযুক্তি দিছে ৰাজ্য চৰকাৰে। ভাৰত ভূষণ দেৱ চৌধুৰীৰ স্থলাভিষিক্ত হ'ব দেৱৰাজ উপাধ্যায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ তথা আৰক্ষীৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা দেৱৰাজ উপাধ্যায়ে পূৰ্বে অসম লোকসেৱা আয়োগৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। কিন্তু এইবাৰ চৰকাৰে অধ্যক্ষৰ দায়িত্ব প্ৰদান কৰিছে অৱসৰপ্ৰাপ্ত আইপিএছ বিষয়াগৰাকীক। আজি প্ৰকাশিত নিৰ্দেশনা অনুসৰি এচিএছ মৃগেশ নাৰায়ণ বৰুৱা, আইএএছ ভাস্কৰ ফুকনক অসম লোকসেৱা আয়োগৰ সদস্য নিযুক্তি দিয়া হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূমিকম্পত তছনছ নেপাল-তিব্বত

লোক নিহত হোৱাৰ লগতে আন শতাধিক লোক গুৰুতৰভাৱে আহত হৈছে। একে সময়তে এই ভূমিকম্পৰ পিছত কেৱল ৰৈ গৈছে অসংখ্য ঘৰৰ ধ্বংসাৱশেষ। বৰ্তমানো ধ্বংসস্তুপৰ মাজত অব্যাহত আছে উদ্ধাৰ অভিযান আৰু হতাহতৰ সংখ্যা বৃদ্ধি পাব পাৰে বুলি আশংকা কৰিছে প্ৰশাসনে। ইতিমধ্যে চীনৰ ৰাষ্ট্ৰপতি ছি জিনপিঙে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত দ্ৰুত উদ্ধাৰ অভিযানৰ নিৰ্দেশ দিছে। ৰাষ্ট্ৰীয় ভূমিকম্পবিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি মঙলবাৰে পুৱা ৬:৩৫ বজাত প্ৰথমটো ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। এই কম্পনৰ উৎস আছিল নেপাল-তিব্বত সীমান্তৰ ছিজাং অঞ্চল, য'ত মাটিৰ পৰা ১০ কিলোমিটাৰ তলত আছিল ভূমিকম্পৰ অভিকেন্দ্ৰ। দিল্লী, বিহাৰকে ধৰি উত্তৰ ভাৰতৰ বিভিন্ন প্ৰান্ততো এই ভূমিকম্পৰ প্ৰভাৱ অনুভৱ কৰা হয়। বহু লোকে ঘৰ এৰি আতংকিত হৈ ৰাজপথলৈ ওলাই আহে এই সময়ছোৱাত। ইফালে প্ৰথমটো কম্পনৰ প্ৰায় আধা ঘণ্টাৰ ব্যৱধানত আৰু পাঁচটা কম্পন অনুভূত হয় নেপাল-তীব্বত সীমান্তত। পুৱা ৭:০২ বজাত ৪.৭ প্ৰাবল্যৰ প্ৰথমটো কম্পন, তাৰ পিছত ৫ মিনিটৰ ভিতৰত ৪.৯ মাত্ৰাৰ আন এটা কম্পন অনুভূত হয়। মঙলবাৰে পুৱা এঘণ্টাৰ ভিতৰতে ছয়বাৰ জোকাৰণি অনুভূত হয় নেপাল-তিব্বত সীমান্তৱৰ্তী অঞ্চলত। উল্লেখ্য যে, এই ভূমিকম্পৰ ফলত সৰ্বাধিক ক্ষতিসাধন হয় ৬২ হাজাৰতকৈও অধিক লোক বাস কৰা জিনজিয়াঙৰ ডিংৰি কাউণ্টিত। চীনৰ সংবাদ মাধ্যম চিচিটিভিৰ এক প্ৰতিবেদন অনুসৰি ভূমিকম্পৰ পিছত চলোৱা উদ্ধাৰ অভিযানত বাধাৰ সৃষ্টি কৰিছে অঞ্চলটোৰ অত্যন্ত ঠাণ্ডা আৰু অস্থিৰ পৰিৱেশে। ভাঙি চুড়মাৰ হৈ পৰা বাসগৃহ আৰু অন্য কাঠামোৰ তলত এতিয়াও বহু লোক আৱদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। ইতিমধ্যে ক্ষতিগ্ৰস্ত অঞ্চললৈ সাহায্য প্ৰেৰণৰ কাম আৰম্ভ হৈছে। অৱশ্যে পৰিস্থিতি কিমান নিয়ন্ত্ৰণলৈ আনিব পৰা যাব সেই লৈ সন্দেহ ৰৈ গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ ফেব্ৰুৱাৰীত হ'ব নিৰ্বাচন

বিধানসভা নিৰ্বাচনৰ সময়সূচী। সেই অনুসৰি অহা ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব দিল্লীৰ ভোটগ্ৰহণ। এটা পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব ৮ ফেব্ৰুৱাৰীত। ইফালে নিৰ্বাচনৰ দিন ঘোষণাৰ পিছতে নিজৰ নিজৰ শক্তি প্ৰদৰ্শনৰ বাবে টঙালি বান্ধিছে ৰাজনৈতিক দলসমূহে। ইতিমধ্যে দিল্লী বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰকাশ কৰা প্ৰথমখন প্ৰাৰ্থী তালিকাত ঘোষণা হৈছে ২৯ খন আসনৰ বাবে প্ৰাৰ্থীৰ নাম। আনহাতে, অকলেই ৰণাঙ্গনত নামি আটাইকেইখন সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে আম আদমী পাৰ্টিয়েও। কংগ্ৰেছেও শক্তি প্ৰদৰ্শনেৰে অৱতীৰ্ণ হৈছে নিৰ্বাচনী যুঁজত। মঙলবাৰে সংবাদমেলত নিৰ্বাচন আয়োগে জানিবলৈ দিয়া মতে, অহা ১০ জানুৱাৰীত নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিন হ'ব ১৭ জানুৱাৰী আৰু ২০ জানুৱাৰীলৈ মনোনয়ন প্ৰত্যাহাৰ কৰাৰ সুযোগ থাকিব। ইভিএমক লৈ থকা সকলো বিতৰ্ক দূৰ কৰি আয়োগে কয় যে আদালতে ৪২ বাৰ ইভিএমৰ ওপৰত আস্থা প্ৰকাশ কৰিছে। উল্লেখ্য যে, এই নিৰ্বাচনত কেজৰিৱালৰ নাম মুখ্যমন্ত্ৰীৰ প্ৰাৰ্থী হিচাপে নিশ্চিত কৰিছে আপে। নতুন দিল্লী সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব কেজৰিৱালে। একেদৰে কলকাজী সমষ্টিৰ পৰা মুখ্যমন্ত্ৰী আতিশীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে জাংপুৰা সমষ্টিৰ পৰা টিকট লাভ কৰিছে মনীষ চিছ'দিয়াই। কিন্তু কেজৰিৱাল আৰু আতিশীৰ বিৰুদ্ধে বিজেপিয়ে এইবাৰ ৰণাঙ্গণত থিয় কৰাইছে দুই হেভিৱেট নেতা ক্ৰমে প্ৰৱেশ বাৰ্মা আৰু ৰমেশ বিধুৰীক। কিন্তু লক্ষণীয় যে, দিল্লীত 'ইণ্ডিয়া' মিত্ৰজোঁটৰ অৱসান ঘটাই সন্মুখ সমৰত অৱতীৰ্ণ হ'বলৈ সাজু হৈছে আপ আৰু কংগ্ৰেছ। নতুন দিল্লী সমষ্টিৰ পৰা কেজৰিৱালৰ বিৰুদ্ধে কংগ্ৰেছৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে সন্দীপ দীক্ষিতে। সেইদৰে কলকাজী সমষ্টিত আতিশীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিছে অলকা লাম্বাই। ইফালে, নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচনৰ দিন আজি ঘোষণা কৰাৰ পিছতে দিল্লীৰ ৰাজনৈতিক ভৱিষ্যতক লৈ এতিয়া উত্তেজনা বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩৭ দেশৰ ৰাষ্ট্ৰদূতক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

সাক্ষাতৰ পিছতে আজি নতুন দিল্লীত ৩৭খন দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ফেডাৰেচন অৱ ইউৰোপিয়ান বিজনেছ ইন ইণ্ডিয়া আৰু ইউৰোপিয়ান ইউনিয়নৰ সদস্যসকলৰ সৈতেও আলোচনাত মিলিত হয়। এডভাণ্টেজ অসম ২.০ বিনিয়োগ আৰু আন্তঃগাঁথনিক লৈ নতুন দিল্লীত ৩৭খন দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰি উত্তৰ-পূৱলৈ ঔদ্যোগিক ক্ষেত্ৰত মনোনিৱেশ কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সাংবাদিকক সম্বোধন কৰি উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ শান্তিপূৰ্ণ পৰিৱেশ, হাইড্ৰ'কাৰ্বন সম্পদ, পৰ্যটনৰ অপৰিসীম সম্ভাৱনা আৰু প্ৰচুৰ পানীৰ ভাণ্ডাৰকে গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মানীয় উপস্থিতিত এডভাণ্টেজ অসম ২.০  সন্মিলন প্ৰভাৱশালী আৰু ৰোমাঞ্চকৰ হ'ব বুলি কৈ উত্তৰ-পূৱত ঔদ্যোগিক বিনিয়োগ বৃদ্ধি কৰাটোৱে লক্ষ্য বুলি দোহাৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে আজি কয় যে দক্ষিণ-পূৱ এছিয়াৰ দুৱাৰমুখ হৈছে অসম। অসমে ভুটান, নেপাল, বাংলাদেশ, ইণ্ডোনেছিয়া, ভিয়েটনাম, লাওছ, ব্ৰুনাই, থাইলেণ্ড, ম্যানমাৰ, ফিলিপাইনছ, কম্বোদিয়া, ছিংগাপুৰ আৰু মালয়েছিয়াৰ বজাৰ দখলৰ সম্ভাৱনীয়তা আছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলৰ সৈতে বৈঠক কৰি আশ্বস্ত হৈ কয় যে এডভাণ্টেজ আছাম ২.০-এ অসমৰ ঔদ্যোগীকৰণৰ নতুন সূচনাৰ সৃষ্টি কৰিব। মোৰ লক্ষ্য হৈছেঅসমলৈ মানুহ আহক। অসমলৈ যিসমূহ উদ্যোগ আহিব তেখেতসকলক গ্ৰীণ পাৱাৰ দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে অসম দেশৰ ভিতৰত তৃতীয় ডিফেন্স কৰিডৰ হ'ব বুলি দাবী কৰি কয় ডিফেন্স কৰিডৰৰ তৃতীয় ৰাজ্য হ'ব অসম। আজি উদ্যোগপতিক উদ্দেশ্যে ড০ শৰ্মাই আৰু কয় যে চাহ, পেট্ৰ'লিয়াম, কৃষি, খাদ্য সংশাধন, পৰ্যটন, হস্ততাত শিল্প, তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত অসম আগবাঢ়িছে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অসমৰ উন্নয়নৰ ৰূপৰেখা সলনি হ'ব। এডভাণ্টেজ আছাম নামৰ সন্মিলনৰ পিছতে তথ্য-প্ৰযুক্তি, প্ৰতিৰক্ষা, এৰস্পেছ, শক্তি, বাহন নিৰ্মাণ, স্বাস্থ্য, কৃষি, পৰ্যটনত বহু উদ্যোগীয়ে বিনিয়োগ কৰাৰ সম্ভাৱনা আছে বুলি দাবী কৰিছে। ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলৰ উপস্থিতিত নতুন দিল্লীত আলোচনাত মিলিত হয়। অসমৰ আৰ্থিক বিকাশ আৰু উন্নয়নৰ লগতে বিনিয়োগ সন্দৰ্ভত আলোচনা কৰা হয়। এডভাণ্টেজ আছামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অংশগ্ৰহণ কৰিব। মুম্বাই আৰু নতুন দিল্লীৰ পিছতে মুখ্যমন্ত্ৰীয়ে উদ্যোগপতিক সাক্ষাৎ কৰিবলৈহায়দৰাবাদ, আহমেদাবাদ, কলকাতা, বাংগালুৰুলৈ যাব। ২৫-২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব এডভাণ্টেজ আছাম ২.০।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসুস্থ পিকে! আইচিইউত ভৰ্তি

বহি গুৰুতৰভাৱে অসুস্থ হৈ হাস্পতালত ভৰ্তি হ'বলগীয়া হৈছে ৰাজনৈতিক ৰণনীতিকাৰ তথা জন সুৰজ পাৰ্টিৰ প্ৰতিষ্ঠাপক প্ৰশান্ত কিশোৰ। বিহাৰ লোকসেৱা আয়োগৰ পৰীক্ষা বাতিলৰ দাবীত চলি থকা আন্দোলনক লৈ উত্তেজনাৰ মাজতে তেওঁ অসুস্থ হৈ পৰে। বৰ্তমান প্ৰশান্ত কিশোৰ পাটনাৰ এখন চিকিৎসালয়ৰ আই চি ইউত চিকিৎসাধীন হৈ আছে। উল্লেখ্য যে, মঙলবাৰে পুৱা প্ৰতিবাদকাৰীৰ সৈতে সাক্ষাৎ কৰাৰ সময়ত হঠাতে চেতনা হেৰুৱাই পেলায় প্ৰশান্ত কিশোৰে। লগে লগে তেওঁক প্ৰাথমিক চিকিৎসা প্ৰদান কৰাৰ পিছত হাস্পতালত ভৰ্তি কৰোৱা হয়। চিকিৎসকৰ মতে, অনশনৰ ফলত পানীলগা আৰু ঠাণ্ডাৰ সংস্পৰ্শলৈ অহাৰ বাবে ডিভিৰ সংক্ৰমণ ঘটিছে। চিকিৎসক ৰবি শংকৰ প্ৰসাদে কয়, "আজি দিনটো তেওঁৰ কেইবাটাও ফিজিকেল টেষ্ট কৰা হ'ব। সন্ধিয়া টেষ্টৰ ৰিপৰ্ট পালেহে আমি অধিক স্পষ্ট ধাৰণা পাম।" উল্লেখ্য যে, বিগত পাঁচ দিন ধৰি পাটনাৰ গান্ধী ময়দানত অনশন কাৰ্যসূচী ৰূপায়ণ কৰিছে প্ৰশান্ত কিশোৰে। সোমবাৰে পুৱা বিহাৰ আৰক্ষীয়ে অনশন স্থানত অভিযান চলাই তেওঁক গ্ৰেপ্তাৰ কৰে। তাৰ পিছত যেতিয়া তেওঁক আদালতত হাজিৰ কৰা হয়, তেতিয়া তেওঁক ২৫ হাজাৰ টকাৰ ব্যক্তিগত বণ্ডত চৰ্তসাপেক্ষ জামিন দিয়া হয়। কিন্তু চৰ্তসাপেক্ষে প্ৰদান কৰা জামিন ল'বলৈ অস্বীকাৰ কৰে প্ৰশান্ত কিশোৰে। পৰৱৰ্তী সময়ত তেওঁক বিনা চৰ্তত জামিন প্ৰদান কৰে আদালতে। ইফালে জামিনত মুকলি হোৱাৰ কিছু ঘণ্টাৰ ভিতৰতে অসুস্থ হৈ পৰা প্ৰশান্ত কিশোৰক কেন্দ্ৰ কৰি সমৰ্থকসকলৰ মাজত উদ্বেগ বিয়পি পৰিছে। চিকিৎসকে তেওঁৰ শাৰীৰিক অৱস্থাৰ ওপৰত নজৰ ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উমৰাংছুৰ কয়লা কাণ্ডই উদঙাইছে

চৰকাৰৰ জ্ঞাতসাৰে ডিমা হাচাও জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী উমৰাংছুত অবৈধ কয়লাৰ খনন চলি থকাৰ ফলতে ৯ শ্ৰমিকৰ জীৱনক লৈ হেতালি খেলিলে খনন মাফিয়াই। জিলা প্ৰশাসনৰ জ্ঞাতসাৰে অবৈধ খনন অব্যাহত থকাৰ সময়তে কালি ডিমা হাচাওৰ কয়লাখনিত সোমাই আৱদ্ধ হৈ পৰা শ্ৰমিকৰ উদ্ধাৰ অভিযান অব্যাহত আছে। স্থল সেনা, নৌ সেনাৰ সহায় লৈ স্থানীয় প্ৰশাসনে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে যদিও আৱদ্ধ শ্ৰমিকৰ ভিতৰত তিনি শ্ৰমিকৰ মৃত্যু নিশ্চিত হৈছে। কালি স্থানীয় প্ৰশাসনে উদ্ধাৰ অভিযানৰ ব্যৱস্থা কৰিছিল যদিও স্থানীয় প্ৰশাসনৰ দ্বাৰা অভিযান চলোৱাতো সম্ভৱপৰ নাছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ লগতে ভাৰতীয় সেনাৰ সহায় লোৱাৰ কথা কালিয়েই প্ৰকাশ কৰিছিল। আজি পুৱাৰে পৰা সেনাই আকাশমাৰ্গৰে পৰিস্থিতি নিৰীক্ষণ কৰিছে। অসমৰ কেইবাটাও উদ্ধাৰকাৰী দলৰ সৈতে স্থল সেনা, নৌ সেনাৰ বিশেষ দলে অভিযান অব্যাহত ৰাখিছে। পানী সিঁচিবৰ বাবে বিশেষ মেচিন ব্যৱহাৰ কৰা হৈছে। কয়লাখনিৰ গাতৰ পৰা পানী সিঁচি উলিয়াই থকা হৈছে যদিও পানী কমি অহা নাই। শ্ৰমিকসকলক উদ্ধাৰ অভিযান আজি পুৱাৰ পৰা আৰম্ভ কৰা হয় যদিও এতিয়ালৈকে উদ্ধাৰকাৰী দলে এজনো শ্ৰমিকক উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। ইতিমধ্যে কয়লাখনিৰ ভিতৰত তিনি শ্ৰমিকৰ মৃতদেহ দেখা গৈছে যদিও এতিয়ালৈ মৃতদেহ তিনিটা উদ্ধাৰ কৰিবলৈ সক্ষম হয় নাই উদ্ধাৰকাৰী দল। সেনাৰ দলৰ সৈতে এনডিআৰএফ আৰু এছডিআৰএফে আজি তিনিবাৰকৈ শ্ৰমিকসকলক উদ্ধাৰ কৰাৰ চেষ্টা চলাই যদিও ব্যৰ্থ হয়। উদ্ধাৰ অভিযানত সহায় কৰিবলৈ ভাৰতীয় নৌ-সেনাৰ ডুবাৰুসকলৰ সহায় লোৱা হৈছে। উদ্ধাৰকাৰ্য খৰতকীয়া কৰাৰ উদ্দেশ্যে বিশাখাপট্টনমৰ পৰা নৌসেনাৰ ডুবাৰু দল অনা হৈছে। এনডিআৰএফ বাহিনীৰ ৩০টা দল আৰু এছডিআৰএফ বাহিনীৰ ৮টা দল উপস্থিত আছে। ডিমা হাচাও জিলাৰ জিলা আয়ুক্ত সীমান্ত কুমাৰ দাস আৰু আৰক্ষী অধীক্ষক ময়ংক কুমাৰ ঝা উমৰাংছুৰ উদ্ধাৰস্থলীত দিনে-নিশাই উপস্থিত আছে। আজি পুৱাৰ ভাগত সেনা বিশেষ দলে উদ্ধাৰ অভিযান চলা ঠাইত বাহৰ পাতে। সেনাৰ দলে আকাশমাৰ্গেৰে আৰু স্থলত পৰিস্থিতিৰ বুজ লৈ উদ্ধাৰ অভিযান চলায়। সেনাবাহিনীৰ ডুবাৰুৱে প্ৰায় ১০০ মিটাৰ ভিৰতৰৈ গৈ উভতি আহিছে। প্ৰায় ৩০০ ফুট দ' খনিত ২০০ মিটাৰ ভিতৰত সোমাই উভতি অহাৰ পিছতে তিনি শ্ৰমিকৰ মৃত্যু নিশ্চিত কৰা বুলি জানিব পৰা গৈছে। সেনাৰ ডুবাৰুৰ অনুমান অনুসৰি খনিটোৰ ভিতৰৰ পানী প্ৰায় ১০০ ফুটলৈ বৃদ্ধি পাইছে। সেনাৰ ডুবাৰু উভতি অহাৰ পিছতে বিশাখাপট্টনমৰ পৰা অহা নৌ সেনাৰ ডুবাৰুৱে ভিতৰত সোমাব। ইপিনে শ্ৰমিকৰ সংখ্যাক লৈ উৎকণ্ঠা অব্যাহত আছে। কালি স্থানীয় প্ৰশাসন তথা স্থানীয় লোকে শ্ৰমিকৰ সংখ্যা ২৮ জন হ'ব পাৰে বুলি সন্দেহ কৰিছিল। তাৰ পিছতে কুৰিজন হ'ব পাৰে বুলি কোৱা হৈছিল। কিন্তু অজি সেনাৰ বিষয়াই স্থানীয় লোকৰ সৈতে আলোচনাত মিলিত হৈ স্থানীয় লোকৰ মতামতৰ ভিত্তিত শ্ৰমিকৰ সংখ্যা ৯ জনৰ পৰা ১০ জন হ'ব পাৰে অনুমান কৰিছে। ইফালে, ধাৰাসাৰ বৰষুণৰ ফলত উমৰাংছু' কয়লাখনিত উদ্ধাৰ অভিযান স্থগিত ৰাখিবলগীয়া হৈছে। কেইবাবাৰো উদ্ধাৰ অভিযান চেষ্টা চলোৱাৰ পাছতো শ্ৰমিকসকলক উদ্ধাৰ কৰাত ব্যৰ্থ হয় উদ্ধাৰকাৰী দল। একাংশ স্থানীয় লোকৰ পৰা জানিব পৰা মতে, ৬ জানুৱাৰীৰ পুৱাই ২৭ জন শ্ৰমিক খনিৰ ভিতৰত সোমাইছিল যদিও হঠাতে পানী ভৰিবলৈ ধৰাত বেছি সংখ্যাক শ্ৰমিক ওলাই আহিবলৈ সক্ষম হয় যদিও ৯ জন শ্ৰমিক আৱদ্ধ হৈ পৰে। ইপিনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়লাখনিটো অবৈধ হ'ব পাৰে বুলি উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, উমৰাংছু আৰক্ষীয়ে ০২/২০২৫ নম্বৰত খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইন, ১৯৫৭ৰ ধাৰা ৩(৫)/১০৫ বিএনএছ, আৰ/ডব্লিউ ২১(১) ধাৰাত এক গোচৰ ৰুজু কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰাৰম্ভিক অৱস্থাত অবৈধ খনি বুলি কৈ পুনিছ নুনিছা নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰাৰ কথা উল্লেখ কৰিছে। উল্লেখ্য যে, ৬ জানুৱাৰীৰ পুৱা স্থানীয় খনন মাফিয়াই নিয়োগ কৰা শ্ৰমিকে উমৰাংছুৰ তিনিকিলো অঞ্চলৰ অবৈধ কয়লাখনিত পুৱা প্ৰায় ৯ বজাত ২৭ শ্ৰমিক সোমাই গৈছিল। কিন্তু শ্ৰমিক কেইজনে ভিতৰত সোমাই খনন কৰি থকাৰ সময়তে খনিত পানী ভৰি পৰাত প্ৰায় কুৰিজন শ্ৰমিক আৱদ্ধ হৈ পৰে। উমৰাংছু টাউনৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ নিলগৰ অসম-মেঘালয় সীমান্তত অৱস্থিত এই কয়লাখনিটো। তাৰ পিছতে শ্ৰমিকক নিয়োগ কৰা খনন মাফিয়া অন্তৰ্ধান হয়। খবৰ লাভ কৰে স্থানীয় প্ৰশাসনে। প্ৰশাসনে শ্ৰমিকক উদ্ধাৰৰ বাবে তৎপৰ হয় যদিও গভীৰ সুৰংগত সোমাই অভিযান চলোৱাটো সম্ভৱপৰ নাছিল। ইফালে, এই ঘটনাক লৈ সমগ্ৰ ৰাজ্যতে অব্যাহত আছে তীব্ৰ প্ৰতিক্ৰিয়া।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জাগীৰোডত গঁড়ৰ আক্ৰমণ, এজন

নিশা এটা গঁড়ে সন্ত্ৰাস চলায়। পবিতৰা অভয়াৰণ্যৰ পৰা ওলাই অহা গঁড়টোৰ আক্ৰমণত পুৱতি নিশা এজন লোক আহত হয়। পুৱতি নিশা গঁড়ে আক্ৰমণ কৰা লোকজন জয়নাল আলী বুলি জানিব পৰা গৈছে। পিছত স্থানীয় লোকে আহত জয়নাল আলীক ততাতৈয়াকৈ জাগীৰোডৰ মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰাই চিকিৎসা প্ৰদান কৰে। ইতিমধ্যে লোকজনৰ স্বাস্থ্য উন্নত হোৱা বুলি জানিব পৰা গৈছে। এই ঘটনাই জাগীৰোড অঞ্চলটোত আতংকৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, কিছুদিন পূৰ্বেও কাজিৰঙাত গঁড়ৰ আক্ৰমণত এজন কৃষকৰ মৃত্যু হৈছিল। আনহাতে উত্তৰ গুৱাহাটীত বনৰীয়া ম'হৰ আক্ৰমণত নিহত হৈছিল কামলৈ ওলাই যোৱা এগৰাকী মহিলা।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দৰং, কোকৰাঝাৰত উঠিছে কান্দোনৰ

সম্প্ৰতি আৱদ্ধ হৈ পৰিছে কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম থানাৰ অন্তৰ্গত চিথিলা মাজেৰগাঁৱৰ খুশিমোহন ৰায় (৫২)। দৰিদ্ৰতাই কোঙা কৰা পৰিয়ালটোক সামান্য সকাহ দিয়াৰ উদ্দেশ্যৰেই খুশিমোহন ৰায়ে প্ৰায় ডেৰমাহ মান পূৰ্বে কৰ্মৰ সন্ধানত উমৰাংছুলৈ গৈছিল আৰু তাতে কয়লা খনিত শ্ৰমিক হিচাপে কাম কৰিবলৈ লয়। তেনেকৈ কাম কৰি থাকোতে হঠাতে কয়লাখনিত আৱদ্ধ হৈ পৰাত এতিয়া পৰিয়ালত মাজত কান্দোনৰ ৰোল উঠিছে। উল্লেখ্য যে খুশিমোহন ৰায় স্থানীয় এলেকা চিথিলাতে শ্ৰমিক হিচাপে কাম-বন কৰি পৰিয়ালক পোহপাল দি আছিল। কিন্তু লাহে লাহে চিথিলা এলেকাত কামৰ নাটনি হোৱাত খুশিমোহন ৰায়ে বিকল্প উপায় বিচাৰিব ধৰিলে। ডেৰমাহমান পূৰ্বে কোনো সূত্ৰৰ জৰিয়তে কামৰ সন্ধেদ লাভ কৰে আৰু সেইমতে তেওঁ ডিমা হাছাওৰ আছাম কুৰেৰি কয়লাখনিত শ্ৰমিক হিচাপে কাম কৰিবলৈ লয়। তেনেকৈয়ে কাম কৰি থাকোতে কয়লাখনিৰ ভিতৰত আৱদ্ধ হৈ পৰাত তেওঁৰ সতীৰ্থই মোবাইল ফোন যোগে খুশিমোহন ৰায়ৰ পৰিয়ালবৰ্গক ঘটনা সন্দৰ্ভত অৱগত কৰে। কয়লাখনিত আৱদ্ধ হৈ পৰাৰ বাতৰি লাভ কৰাৰ পিছতে পৰিয়ালবৰ্গৰ মাজত বিনামেঘে বজ্ৰপাত পৰে আৰু পৰিয়ালবৰ্গৰ মাজত কান্দোনৰ ৰোল উঠে। তেওঁক সুকলমে উদ্ধাৰৰ বাবে পৰিয়ালবৰ্গই থাপনাত বন্তি প্ৰজ্বলন কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে। আনহাতে আৱদ্ধ হৈ থকা শ্ৰমিকসকলক সুকলমে উদ্ধাৰ কৰাৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি পৰিয়ালবৰ্গই অনুৰোধ জনাইছে। উল্লেখ্য যে কয়লাখনিত আৱদ্ধ হৈ থকা খুশিমোহল ৰায়ৰ বৃদ্ধা মাতৃ নিতুবালা ৰায় (৮০), পত্নী মধুবালা ৰায়, দুই পুত্ৰ সন্তান ক্ৰমে সুবিত ৰায় আৰু সুভাষ ৰায়, দুই কন্যাসন্তান ক্ৰমে শক্তি আশ্ৰম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীত অধ্যয়নৰত ৰুবীতা ৰায় আৰু চিথিলা এমভি স্কুলৰ অষ্টমমান শ্ৰেণীত অধ্যয়নৰত সুৰশ্ৰী ৰায়ে এটি ভাল খবৰৰ আশাত উজাগৰী নিশা পাৰ কৰি আছে। প্ৰণিধানযোগ্য যে খুশিমোহন ৰায়ৰ দুই পুত্ৰ সন্তান ক্ৰমে সুদীপ ৰায় আৰু সুভাষ ৰায় বৰ্তমান শ্ৰমিক হিচাপে অৰুণাচল আৰু গুজৰাটত কাম কৰি আছে। ইপিনে কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁ মহকুমাৰ ভাওঁৰাগুৰী আৰক্ষী চকীৰ অন্তৰ্গত খলিচানিমাৰী গাঁৱৰ সৰ্পা বৰ্মন নামৰ শ্ৰমিকজনো কয়লাখনিত আৱদ্ধ হৈ আছে। পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা মতে যোৱা ২৬ ডিচেম্বৰত তেওঁ ঘৰৰ পৰা কয়লা খনিত কাম কৰিবলৈ ওলাই গৈছিল। তাৰপিছত পৰিয়ালৰ সতে যোৱা ৪ জানুৱাৰীত ফোনযোগে কথা হৈছিল। উল্লেখ্য যে যোৱা ২০ বছৰ ধৰি বিভিন্ন কয়লা খনিতে কাম কৰি আহিছে সৰ্পা বৰ্মনে। ইয়াৰ পূৰ্বে সৰ্পা বৰ্মন মেঘালয়ৰ কয়লাখনিত কাম কৰিছিল। অতি দৰিদ্ৰ সৰ্পা বৰ্মনৰ পত্নী আৰু দুইগৰাকী কন্যা সন্তান আছে। ইয়াৰে জ্যেষ্ঠ কন্যাসন্তান গৰাকী স্নাতক চতুৰ্থ ষাণ্মাষিকৰ ছাত্ৰী আৰু সৰুজনী স্নাতক প্ৰথম ষাণ্মাষিকৰ ছাত্ৰী। অহা ৩ মাৰ্চত কনিষ্ঠা কন্যাগৰাকীৰ বিয়া ঠিক হৈ আছে। এনেসময়তে কয়লাখনিত আৱদ্ধ হোৱাৰ বাতৰি প্ৰচাৰিত হোৱাৰ পিছতে সৰ্পা বৰ্মনৰ বাসগৃহত বহুলোক গোট খাইছে আৰু দুঃচিন্তা শোকত ভাগি পৰা পৰিয়ালটোক সান্তনা দিছে। তদুপৰি সৰ্পা বৰ্মনৰ লগতে আৱদ্ধ হৈ থকা আন শ্ৰমিকসকলৰ উদ্ধাৰৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

**ই-সংবাদ, খাৰুপেটীয়া, দলগাওঁ, ৭ জানুৱাৰীঃ** অসম-মেঘালয়ৰ সীমান্ত অঞ্চল ডিমাহাছাও জিলাৰ উমৰাংছুৰ কালাপানি আছাম কুৰেৰী কয়লা খনিত আৱদ্ধ শ্ৰমিকসকলৰ ভিতৰত আছে দৰঙৰ দলগাঁও আৰু শ্যামপুৰৰ ৩ গৰাকী শ্ৰমিক। প্ৰাপ্ত তথ্য অনুসৰি এসপ্তাহ পূৰ্বে দলগাঁও থানাৰ অন্তৰ্গত ৪ নং শিয়ালমাৰী গাঁৱৰ পিতৃ-মাতৃৰ একমাত্ৰ সন্তান তথা দুটি মেধাৱী ৯-১৪ বছৰ বয়সৰ কন্যা সন্তানৰ পিতৃ জাকিৰ হুছেইন (৩৮), শ্যামপুৰ থানাৰ অন্তৰ্গত বগৰীবাৰি গাঁৱৰ হুছেইন আলী (৩০) আৰু মোস্তফা সেখ (৪৪) উমৰাংছুৰ কয়লা খনিত কাম কৰিবলৈ গৈছিল। বিগত সোমবাৰে আছাম কুৰেৰী কয়লা খনিত ৩২০ ফুট তলত সোমাই কয়লা খন্দা কামত নিয়জিত হৈ আছিল শ্ৰমিকসকল। অকস্মাৎ কয়লা খনিত পানী সোমাই আৰম্ভ হৈ পৰে শ্ৰমিক সকল। কিছু ওপৰত থকা ১০-১২ গৰাকী শ্ৰমিক জীৱন্ত ওলাবলৈ সক্ষম হয় যদিও বহু শ্ৰমিক ৩২০ ফুট তলতে আৱদ্ধ হৈ পৰে। কিমানজন শ্ৰমিক আৱদ্ধ হৈ আছে তাৰ সঠিক তথ্য বৰ্তমানেও নাই যদিও ১৭-১৮ গৰাকী শ্ৰমিক তলত আৱদ্ধ হৈ থকা বুলি তাৰ প্ৰশাসনে সন্দেহ কৰিছে। উক্ত আবদ্ধ সকলৰ মাজতে আছে দৰঙৰ ৩ গৰাকী। ঘটনা সম্পৰ্কে সামাজিক মাধ্যমযোগে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উদ্বেগ প্ৰকাশ কৰি শ্ৰমিকসকলক উদ্ধাৰৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে বুলি জনাইছে। ইফালে, এই ঘটনাৰ পিছতে দৰং জিলাৰ উক্ত শ্ৰমিককেইজনৰ পৰিয়ালত কান্দোনৰ ৰোল উঠা দেখা গৈছে। সকলোৱে এতিয়া নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনাইছে। পৰিয়ালৰ লোক আৰু গাঁওবাসীয়ে শীঘ্ৰে সো-শৰীৰে উদ্ধাৰৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ-প্ৰশাসনক আহ্বান জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এয়াৰ ইণ্ডিয়াৰ বিমানত আকৌ ঘটিল

আতংক। এইবাৰ দিল্লী অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমানৰ ইঞ্জিন মাজ আকাশত বিকল হোৱাৰ পিছতে পাইলটে জৰুৰী অৱতৰণ কৰিবলৈ বাধ্য হয়। দেওবাৰে সন্ধিয়া বাংগালুৰুৰ কেম্পেগৌড়া বিমানবন্দৰৰ পৰা উৰা মৰাৰ পিছতে মধ্য আকাশত এয়াৰবাছ এ-৩২০ মডেলৰ এটা ইঞ্জিন বিকল হৈ পৰে। ইয়াৰ পিছতে পাইলটে বিমানখন সময়মতে অৱতৰণ কৰিবলৈ সক্ষম হয়, যাৰ ফলত প্ৰাণ ৰক্ষা পৰে বিমানখনত থকা যাত্ৰীসকলৰ। উল্লেখ্য যে, এই বিমানখনে সন্ধিয়া ৫:৪৫ বজাত উৰা মৰাৰ কথা আছিল যদিও কিছু সমস্যাৰ বাবে সন্ধিয়া ৭:১০ বজাত উৰা মাৰে। তাৰ পাছত ৮:১১ বজাত আকাশত বিমানখনত এক বিজুতিৰ সৃষ্টি হয়। এই ঘটনাত কোনো লোক আহত হোৱা নাই বুলি কৰ্তৃপক্ষই জানিবলৈ দিয়ে। নিশা ১১:৪৭ বজাত আন এখন বিমানেৰে দিল্লীলৈ প্ৰেৰণ কৰা হয় যাত্ৰীসকলক। ইতিমধ্যে অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে এই ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আকাশ মাৰ্গত কিয় বিমানখনৰ ইঞ্জিন বিকল হ'ল সেই সন্দৰ্ভত তদন্ত অব্যাহত আছে। উল্লেখ্য যে, শেহতীয়াকৈ সমগ্ৰ বিশ্বতে বিমান দুৰ্ঘটনা সংঘটিত হোৱা ঘটনাই উদ্বেগৰ সৃষ্টি কৰিছে। মাত্ৰ কিছুদিন পূৰ্বে দক্ষিণ কোৰিয়াত সংঘটিত এক ভয়ংকৰ বিমান দুৰ্ঘটনাত মৃত্যু ঘটে ১৭৯ জন লোকৰ। ইফালে দেওবাৰে নেপালতো বুদ্ধ এয়াৰৰ এখন বিমানৰ ইঞ্জিনত জুইৰ সূত্ৰপাত ঘটে। অৱশ্যে পাইলটৰ দক্ষতাৰ বাবে সেই দুৰ্ঘটনাত হতাহত হোৱাৰ পৰে ৰক্ষা পৰে যাত্ৰীসকল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰহস্যজনক! গহপুৰত বনকৰা যুৱতীৰ

দণ্ডাধীশৰ ঘৰত বন কৰা হিচাপে থকা এগৰাকী যুৱতীৰ মৃত্যুক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে গহপুৰত। মঙলবাৰে গহপুৰ আৱৰ্ত্ত ভৱনত মৃত অৱস্থাত উদ্ধাৰ হয় গহপুৰ মহকুমা ন্যায়িক দণ্ডাধীশৰ ২০ বৰ্ষীয় বনকৰা যুৱতীগৰাকীক। যুৱতীগৰাকীৰ পৰিচয় গহপুৰ কনীবড়ী গাঁৱৰ সংগীতা তাঁতী বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, মঙলবাৰে পুৱা ৭ বজাত আৱৰ্ত্ত ভৱনত শুই থকা অৱস্থাত সংগীতা তাঁতীৰ মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰাক লৈ সৃষ্ট হয় চাঞ্চল্যৰ। আৰক্ষীয়ে জনোৱা মতে, মহকুমা ন্যায়িক দণ্ডাধীশ তালাত নচৰৎ জাবিনৰ বদলিকৰন হৈছিল হোজাইলৈ। মঙলবাৰে ন্যায়িক দণ্ডাধীশগৰাকী নতুন কৰ্মক্ষেত্ৰলৈ যাবলৈ সাজু হোৱাৰ সময়তে পোহৰলৈ আহে এই ঘটনা। লক্ষণীয় যে, প্ৰাথমিক পৰ্যায়ৰ তদন্তত এই মুহূৰ্তলৈকে মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই। ইফালে, ঘটনা সন্দৰ্ভত সংবাদ মাধ্যমৰ সন্মুখত কোনো ধৰণৰ মন্তব্য কৰাৰ পৰা বিৰত থকা পৰিলক্ষিত হয় মহকুমা ন্যায়াধীশগৰাকীক। পৰৱৰ্তী সময়ত আৰক্ষীয়ে যুৱতীগৰাকীৰ মৃতদেহটো তেজপুৰ মেডিকেল কলেজলৈ মৰোণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ঘটনাক লৈ গহপুৰত চাঞ্চল্যৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গাৰ্লোছাৰ পত্নীৰ ঘনিষ্ঠই চলাই গৈছিল

যদিও প্ৰকৃততে অসমত প্ৰতিদিনে অবৈধ কয়লাৰ খনন চলি আহিছে। শাসকীয় দলৰ প্ৰভাৱশালী চক্ৰই অসমৰ কয়লা দেশৰ বিভিন্ন প্ৰান্তলৈ অবৈধভাৱে সৰবৰাহ কৰি আহিছে। এই কথাৰ প্ৰমাণ স্পষ্ট কৰিছে কয়লাৰ খনন কৰিবলৈ সুৰংগত সোমাই শ্ৰমিক নিখোজ হোৱাৰ ঘটনাই। ডিমা হাচাও জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী উমৰাংছুৰ কালামাটিত এটা অবৈধ কয়লাখনিত খননৰ বাবে প্ৰৱেশ কৰা প্ৰায় কুৰিগৰাকী শ্ৰমিক আৱদ্ধ হৈ পৰাত ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। অবৈধ খনিত একাংশ মাফিয়াই খনন কৰিবলৈ শ্ৰমিক নিয়োগ কৰিছিল। ৬ জানুৱাৰীৰ পুৱা প্ৰায় ৯ বজাত খনিটোত প্ৰায় ২৭ জন শ্ৰমিকে প্ৰৱেশ কৰিছিল। শ্ৰমিকে প্ৰৱেশৰ পিছতে খনিৰ গাতত পানী ভৰি পৰাত কেইজনমান শ্ৰমিক ওলাই আহিবলৈ সক্ষম হয় যদিও বহু শ্ৰমিক আৱদ্ধ হৈ পৰে। কালিৰে পৰা উদ্ধাৰ অভিযান চলি থকাৰ মাজতে ডিমা হাচাওৰ বিভিন্ন প্ৰান্তত চলি থকা কয়লাৰ খননক লৈ বহু প্ৰশ্ন উঠিবলৈ আৰম্ভ কৰিছে। বিজেপিৰ ৰাজ্যিক নেতা, মন্ত্ৰী-বিধায়ক, ডিমা হাচাও জিলাৰ একাংশ বিজেপিৰ নেতা আৰু খোদ বিজেপিৰ নেতা তথা ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পৰিয়ালৰ বহুকেইজন সদস্য কয়লাৰ খননৰ সৈতে পাকে-প্ৰকাৰে জড়িত বুলি দাবী কৰিছে ডিমা হাচাও জিলাৰ বিজেপিৰ এটা সূত্ৰই। দেৱলাল গাৰ্লোছা, তেওঁৰ পত্নী কণিকা হোজাইৰ লগতে পৰিয়ালৰ কেবাগৰাকী সদস্যৰ নেতৃত্বত অবৈধ কয়লা, চূৰ্ণশিল আদিৰ খনন অব্যাহত আছে বুলি দাবী কৰিছে খোদ বিজেপিৰে এটা সূত্ৰই। উমৰাংছুৰ কালামাটিৰ যিটো খনিত এই দুৰ্ঘটনা সংঘটিত হৈছে সেই খনিটোত মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাই নেতৃত্বত খনন চলি থকা বুলি খোদ নাম প্ৰকাশত অনিচ্ছুক একাংশ বিজেপিৰ নেতা-কৰ্মীয়ে অভিযোগ উত্থাপন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অসমৰ মন্ত্ৰীসভাৰ কেবাগৰাকী মন্ত্ৰীৰ ঘনিষ্ঠ দেৱলাল গাৰ্লোছাই ক্ষমতাৰ অপব্যৱহাৰ কৰি পাৰ্বত্য জিলাখনৰ প্ৰাকৃতিক সম্পদক লৈ অবৈধ ব্যৱসায় কৰি কোটি কোটি টকা উপাৰ্জন কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে খোদ বিজেপিৰ নেতা-কৰ্মীয়ে। ইতিমধ্যে ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত চিণ্ডিকেট, অবৈধ খনন, ভূমি দখল আদি অবৈধ কাৰ্যকলাপ চলাই গুণ্ডাৰাজ চলোৱাৰ অভিযোগ উত্থাপন কৰিছিল জিলাখনৰ বিজেপিৰ কৰ্মীয়ে। আনহে নালাগে আজিৰ দিনটোত উমৰাংছুত শ্ৰমিকৰ উদ্ধাৰ অভিযান চলি থকাৰ সময়তে হাফলঙৰ লালফিল্ডত হাজাৰ হাজাৰ বিজেপিৰ নেতা-কৰ্মীয়ে দেৱলালৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি দেৱলালক মুখ্য কাৰ্যবাহী পদৰ পৰা আঁতৰোৱাৰ দাবী জনায়। বিজেপিৰ নেতা-কৰ্মীয়ে বাৰে বাৰে পাৰ্বত্য জিলাখনত দেৱলালে চিণ্ডিকেট, খনন, ভূমি দখল আদি কৰি অহাৰ অভিযোগ উত্থাপন কৰি আহিছে যদিও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ সভাপতি ভৱেশ কলিতাই গুৰুত্ব প্ৰদান কৰি সুৰক্ষা দি আহিছে দেৱলালক। বাৰে বাৰে স্থানীয় বিজেপিয়ে ৰাজনৈতিক ক্ষমতাৰ অপপ্ৰয়োগ কৰি নিষেধাজ্ঞা থকাৰ পাছতো কয়লাৰ খনন চলাই থকাৰ অভিযোগ আনিছে। বিজেপিৰ নাম প্ৰকাশত অনিচ্ছুক একাংশ স্থানীয় নেতাই নিউজ নেক্সট ওৱান তথা ই-সংবাদৰ আগত কয় যে ডিমা হাচাও পাৰ্বত্য জিলা স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ কয়লাখনিত এই বিভীষিকা সংঘটিত হৈছে। উমৰাংছুৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ নিলগৰ এই খনিত গোপনে খনন চলাই থকা হৈছিল। প্ৰশাসনে সকলো কথা জানিছিল যদিও দেৱলাল বিজেপিৰ শীৰ্ষ নেতা আৰু পৰিষদৰ মুখ্য কাৰ্যবাহী হোৱাৰ বাবে ব্যৱস্থা লোৱা নাছিল। প্ৰশাসনৰ চকুৰ সন্মুখতে খনন চলি থকাত আজি কমেও ১০গৰাকী শ্ৰমিকৰ জীৱন ধ্বংস হৈছে বুলি কয় একাংশ বিজেপিয়ে। ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ নেতৃত্বত এই খনিটোত খনন চলিছিল। এটা সূত্ৰই এই দাবী কৰিছে। স্থানীয় লোকৰ পৰা জানিব পৰা মতে, যিটো খনিত এই ঘটনা সংঘটিত হৈছে সেই খনিটো অসম খনিজ উন্নয়ন নিগমৰ বাহিৰৰ আৰু অবৈধ। অসম খনিজ উন্নয়ন নিগমৰ আওতাত নপৰা খনিটো অবৈধ হোৱাৰ পিছতো শাসকীয় দলৰ নেতাৰ পত্নী হোৱাৰ বাবেই খনল চলাই থাকিব পাৰিছিল। কণিকা হোজাইৰ ঘনিষ্ঠ পুনিছ নুনিছাই শ্ৰমিক চোৰা-চিতা কৰিছিল। ইতিমধ্যে পুনিছ নুনিছাক আৰক্ষীয়ে নিজৰ জিম্মাত লৈছে যদিও জিম্মাকালতো ৰাজ আতিথ্য দিয়াৰো অভিযোগ উঠিছে। জানিব পৰা মতে, কয়লাখনিটোত দীৰ্ঘদিন ধৰি খনন চলি আছে। উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ পিছতো অসম খনিজ উন্নয়ন নিগম অস্বীকৃত খনিটোত খনন কৰাৰ পিছতো প্ৰশাসনে নীৰৱে আছিল। কিয়নো বিজেপিৰ নেতা জড়িত। কয়লা মুক্ত খননত নিষেধাজ্ঞা জাৰিৰ পিছতো অবৈধ খনন চলি থাকিল কিয়? এই উত্তৰ এতিয়া কোনে দিব? পুনিছ নুনিছাৰ দৰে কণিকা হোজাইক তদন্তৰ আওতালৈ আনিব পাৰিব নে আৰক্ষীয়ে? মৃতদেহ উদ্ধাৰ হোৱা আৰু আৱদ্ধ শ্ৰমিকৰ পৰিয়ালৰ দায়িত্ব ল'ব কোনে বুলিও এতিয়া সৰ্বত্ৰে প্ৰশ্ন উত্থাপিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপি নেতাৰ দুৰ্নীতিক লৈ সৰৱ

বিজেপিৰ শীৰ্ষ নেতা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ, প্ৰাক্তন বিদ্ৰোহী, ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাই চিণ্ডিকেট, চূৰ্ণশিল, কয়লা আদিৰ অবৈধ ব্যৱসায় কৰি অহাৰ অভিযোগ উত্থাপন কৰি আহিছে পাহাৰীয়া জিলাখনৰ বিজেপিৰ হাজাৰ হাজাৰ নেতা-কৰ্মীয়ে। কেৱল যে অভিযোগ উত্থাপন কৰিছে তেনে নহয়, বাৰে বাৰে ৰাজপথলৈ ওলাই আহি ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাই চিণ্ডিকেট, চূৰ্ণশিল, কয়লা আদিৰ অবৈধ ব্যৱসায় কৰাৰ অভিযোগ আনি মুকলিকৈ গাৰ্লোছাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি গৈছে। ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত কেইবা হাজাৰ বিজেপি কৰ্মীয়ে অবৈধ ব্যৱসায়, চিণ্ডিকেট চলোৱা দেৱলাল গাৰ্লোছাক মুখ্য কাৰ্যবাহী পদৰ পৰা আঁতৰ কৰাৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছিল পাহাৰীয়া জিলাখনত। আজিও উমৰাংছুত উদ্ধাৰ অভিযান চলি থকাৰ সময়তে জিলাখনৰ লাল ফিল্ডত কেইবাহাজাৰ বিজেপি নেতা-কৰ্মীয়ে দেৱলাল গাৰ্লোছাৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। দেৱলালক চিণ্ডিকেটৰ চৰ্দাৰ আখ্যা দি প্ৰতিবাদ কৰি গৈছে। দেৱলালে বিজেপিৰ নেতা হৈয়ো দলৰ কোনো নেতাক গুৰুত্ব নিদিয়াৰ অভিযোগ উঠি আহিছে। বৰ্তমানৰ কাৰ্যবাহী, পাৰিষদ, পূৰ্বৰ কাৰ্যবাহী, সাধাৰণ সদস্যক গুৰুত্ব নিদি নিজ ইচ্ছামতে পৰিষদখন চলাই থকাত অতিষ্ঠ বিজেপি কাৰ্যকৰ্তাই আজি পুনৰাই দেৱলাল হাতাও শ্ল'গান দি ৰাজপথলৈ ওলাই আহে। বিজেপি নালাগে, বিজেপি নচলিব শ্ল'গান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। পাৰ্বত্য জিলাখনৰ কেইবা হাজাৰ বিজেপিৰ নেতা-কৰ্মীয়ে দেৱলালৰ বিৰুদ্ধে প্ৰতিবাদী সমদল উলিয়াই। হাফলঙৰ লালফিল্ডৰ পৰা উলিওৱা প্ৰতিবাদী সমদলত বিজেপিৰ নেতা-কৰ্মীয়ে দেৱলালে সংবিধান উলংঘা কৰাৰ লগতে চিণ্ডিকেট আৰু স্বেচ্ছাচাৰী শাসন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। নিজ বিজেপিৰ দলৰ নেতাৰ বিৰুদ্ধে কৰ্মীয়ে প্ৰতিবাদ কৰি কয় যে ভোট দি পাপ কৰিলো নেকি বুলি প্ৰশ্ন কৰে? দেৱলাল পৰিষদখনত ব্যাপক দুৰ্নীতি কৰি পৰিষদখনক লুটি-পুটি খোৱাৰ অভিযোগ আনিছে। দেৱলাল গাৰ্লোছাৰ বিৰুদ্ধে শ্ল'গান লিখা বেনাৰ হাতে হাতে লৈ ৰাজপথলৈ ওলাই অহা প্ৰতিবাদকাৰী বিজেপি কৰ্মীসকলে চাকৰি কেলেংকাৰী, ভূমি দখল, বিজেপিৰ নেতা-কৰ্মীক হত্যাৰ ভাবুকি দিয়া, গুণ্ডাৰাজ, চিণ্ডিকেট চলোৱাৰ অভিযোগ আনে। প্ৰতিবাদী বিজেপিৰ নেতা-কৰ্মীয়ে ক্ষোভিত ফাটি পৰিছে। তেওঁলোকে কয় যে বিভিন্ন আঁচনি ৰূপায়নৰ নামত এইগৰাকী মুখ্য কাৰ্যবাহীয়ে লুটি-পুটি খাই আছে। সোনকালে পদৰ পৰা আঁতৰাই দিব লাগে। গাৰ্লোছাই এনে এটা চিষ্টেম চলাই আছে যেন পৰিষদখন তেওঁৰ এটা কোম্পানীহে। এখন গণতান্ত্ৰিক দেশৰ এখন ৰাজ্যৰ জিলাক লৈ এই পৰিষদ। পৰিষদখন নিজৰে প্ৰাইভেট লিমিটেড কোম্পানীৰ দৰে পৰিচালনা কৰিছে। বিজেপিৰ কৰ্মীসকলে দলটোৰ সভাপতি ভৱেশ কলিতাৰ বিৰুদ্ধেও গুৰুতৰ অভিযোগ আনে। সভাপতি, মন্ত্ৰীসকলে, নেতাসকলে ইয়ালৈ আহি এবাৰ চাই যাওক, পৰিষদখন ভালকৈ চলি আছে নে নাই। বিজেপি নেতা-কৰ্মীয়ে ভূমি দখল, অঙহী-বঙহীক চাকৰি দিয়া, চিণ্ডিকেট চলাই ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰাৰ পিছত এতিয়া কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# তালাপৰ টিপুক-কৰদৈগুৰি গড়কাপ্তানি পথত ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত এজন

**ই-সংবাদ, ডুমডুমা, ৭ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত টিপুক-কৰদৈগুৰি গড়কাপ্তানী পথত আজি পুৱা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হয়। ঘটনাৰ বিৱৰণী অনুসৰি, প্ৰতি সপ্তাহৰ দৰে আজিও তালাপৰ পৰা কৰদৈগুৰিৰ জুটুলীবাৰীৰ সাপ্তাহিক মঙলবৰীয়া বজাৰলৈ আলু-পিঁয়াজ আদি বোজাই কৰি নিয়া এ এছ-২৩ চি চি-৮৩৫৬ নম্বৰৰ টাটা এছ গাড়ীখনে তীব্ৰ বেগেৰে টিপুকৰ দিশৰ পৰা দাইচা দিশলৈ গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই গোবিন্দপুৰ-গৰুমৰাটুপ তিনিআলি (শিমলুতল)ৰ কাষৰ এজোপা শিমলু গছত খুন্দা মৰাত গাড়ীখনত বোজাই কৰি নিয়া আলু-পিঁয়াজৰ ওপৰত বহি যোৱা তালাপ কপাহবাৰীৰ আনন্দ উৰাং(২২) নামৰ গাড়ীখনৰ সহায়কাৰী যুৱকজন গাড়ীৰ পৰা দূৰৈত ছিটিকি পৰাত মৃতত গুৰুতৰভাৱে আঘাত পাই ঘটনাস্থলীতে যুৱকজনে মৃত্যুক আঁকোৱালি লবলগীয়া হয়। দুৰ্ঘটনাৰ ফলত গাড়ীখনৰ চালক তালাপ টেঙাগাঁৱৰ ইমৰাণ আলীৰ লগতে হেণ্ডীমেনৰূপী আন এজন যুৱক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত ৰূপাই চাইডিং স্থিত ডাঃ ডি চি বৰা নাৰ্চিং হোমত ভৰ্তি কৰা হয়। উল্লেখ্য যে, পথছোৱাত কোনো ধৰণৰ গতি ৰোধক(স্পীড ব্ৰেকাৰ)ৰ ব্যৱস্থা নথকাৰ পৰিপ্ৰেক্ষিততেই সঘনাই অনুৰূপ ধৰণৰ পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে যদিও আজি পৰ্যন্ত কোনো যাৱতীয় পদক্ষেপ গ্ৰহণ নকৰাক লৈ স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। অচিৰেই চৰকাৰ তথা সংশ্লিষ্ট বিভাগক পথছোৱাত নিৰ্দিষ্ট অন্তৰালত গতি ৰোধকৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে ৰাইজে দাবী জনাইছে।

# ছিপাঝাৰত দুৰ্ঘটনাত ছাত্ৰীৰ মৃত্যুকলৈ উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, ছিপাঝাৰ, ৭ জানুৱাৰীঃ** দৰং জিলাৰ ছিপাঝাৰ থানাৰ অন্তৰ্গত গোৰালঝাৰত আজি সংঘটিত এক শোকাৱহ দুৰ্ঘটনাত এগৰাকী ছাত্ৰীৰ থিতাতে মৃত্যু হোৱাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ বিৱৰণী অনুসৰি, ইয়াৰ মেটাপাৰা গাঁৱৰ হৰগোবিন্দ ডেকা নামৰ লোকজনে জীয়ৰী কাকুমণি ডেকাক চাইকেলেৰে নিকটৱৰ্তী চিএছপি চেণ্টাৰত জমা ধন উলিয়াবলৈ আহি থকা অৱস্থাত এনএল-০২ কিউ-৮৪৮৭ নম্বৰৰ পাইপ পৰিবাহী ট্ৰাক এখনে মহটিয়াই লৈ যায়। ফলত পকাদলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী কাকুমণি ডেকা থিতাতে নিহত হয়। উল্লেখ্য যে, স্থানীয় লোকৰ ভাষ্য মতে, তেনেই ঠেক পথটোত পাইপ পৰিবাহী প্ৰকাণ্ড ট্ৰাকখনৰ চালকজন সেই সময়ত সুৰামত্ত অৱস্থাত আছিল। ইপিনে, লাউজানস্থিত পাইপ লাইনৰ নিৰ্মীয়মান কাৰ্যালয়লৈ কলেজ চ'ক লাউজান পথেৰে গৈ থকা তীব্ৰ বেগী ট্ৰাকখনৰ চলাচলৰ অনুমতিকলৈও ৰহস্যৰ সৃষ্টি হৈছে। কিয়নো ২০২২ বৰ্ষতে পথটোৰ বচাচুবা অংশত এটা কালভাৰ্ট বানে ক্ষতিগ্ৰস্ত কৰাৰ ফলত প্ৰসাশনে গধুৰ যান-বাহন চলাচলক লৈ নিষেধাজ্ঞা জাৰি কৰি থৈছিল। যাৰ বাবে আজি সংঘটিত দুৰ্ঘটনাক লৈ অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে দুৰ্ঘটনাস্থলীত ছিপাঝাৰ আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ লগতে ট্ৰাক চালকজনক আটক কৰি লৈ যায়। প্ৰণিধানযোগ্য যে, মাথোঁ ট্ৰাকেই নহয় মাটি কটা ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্যয়ো পদটোৰে যাতায়াত কৰা ৰাইজক ত্ৰাহি মধুসুধন দেখুৱাই আহিছে। দৰঙৰ উপায়ুক্তই যি কোনো স্থানত চৰকাৰী অনুমতি অবিহনে মাটি কটা নিষিদ্ধ কৰি জাননী জাৰি কৰিছিল যদিও তাৰ কাৰ্যকৰীকৰণ ফাইলতে আবদ্ধ হৈ আছে। ফলত এতিয়া ভিতৰি ভিতৰি ক্ষুব্ধ হৈ পৰিছে অঞ্চলটোৰ ৰাইজ।

# লাহৰীঘাটত ছাত্ৰ ৰূপী দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীক গ্ৰেপ্তাৰ

**ই-সংবাদ, লাহৰীঘাট, ৭ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ চাইবাৰ অপৰাধীৰ ৰম্যভূমি লাহৰীঘাটত এইবাৰ চাইবাৰ অপৰাধত লিপ্ত হৈছে মহাবিদ্যালয়ৰ মেধাৱী ছাত্ৰ। ছাত্ৰ ৰূপী দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীটো হৈছে লাহৰীঘাট থানাৰ অন্তৰ্গত অমৰাগুৰি গাঁৱৰ আজহাৰুল ইছলাম। এই দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীটোক কালি নিশা মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখাৰ) সমীৰণ বৈশ্যৰ নেতৃত্বত চলা অভিযানত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আজি আৰক্ষী সূত্ৰে জানিব পৰা মতে, অমৰাগুৰি গাঁৱৰ ছাদিকুল ইছলামৰ পুত্ৰ তথা দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী আজহাৰুল ইছলামে এবিএফএল কোম্পানীৰ পৰা ভুৱা আধাৰ কাৰ্ড আৰু পান কাৰ্ড জমা দি ৰাহুল সিংঘলৰ নামত ১২ লাখ টকা ঋণ লৈছিল। উল্লেখ্য যে ধৃত দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী আজহাৰুল ইছলামৰ নামত এছ বি আই, পি এন বি, এইচ ডি এফ চি, আই ডি বি আই আদিকে ধৰি বহু কেইটা বেংকত আছে ৮ টাকৈ একাউণ্ট। একেদৰে ভুৱা ছদ্ম নামত তেওঁৰ বহুকেইটা বেংকত আছে বহু কেইটা একাউণ্ট। তদুপৰি ধৃত চাইবাৰ অপৰাধীটোৰ আছে এখন দুই লাখ টকীয়া হাণ্টাৰ বাইক, প্ৰায় লাখ টকীয়া বিছনা ইত্যাদি। উল্লেখ্য যে ধৃত দুৰ্ধৰ্ষ চাইবাৰ অপৰাধী আজহাৰুল ইছলাম বৰ্তমান নগাঁও জিলাৰ কণপাই বৰদলৈ মহাবিদ্যালয়ৰ স্নাতক মহলাৰ বিজ্ঞান বিভাগ (ৰসায়ন বিজ্ঞান গুৰু বিষয়)ৰ ছাত্ৰ।জানিব পৰা মতে, ধৃত দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীটোৱে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। মহাবিদ্যালয়ত অধ্যয়নত ছাত্ৰ ৰূপী আজহাৰুলে সহজ ধন ঘটা পথ হিচাপে দীৰ্ঘদিন ধৰি চাইবাৰ অপৰাধত জড়িত হৈ আহিছিল। ইয়াৰ পূৰ্বেও চাইবাৰ অপৰাধত গ্ৰেপ্তাৰ হৈ দুবাৰকৈ জে'ললৈ যাব লগা হৈছিল যদিও পুনৰ জে'লৰ পৰা ওলাই আহিয়েই জড়িত হৈ পৰে চাইবাৰ অপৰাধত। উল্লেখ্য যে এই দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীটোক অধিক জেৰাৰ বাবে বৰ্তমান মৰিগাঁও আৰক্ষীয়ে নিজৰ জিম্মাৎ লৈছে। আনহাতে, দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীটোয়ে ভুৱা আধাৰ কাৰ্ড বনোৱা ছালাম নামৰ লোকজনকো ইতিমধ্যে কেইমাহমান পূৰ্বে মৰিগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে। মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক(অপৰাধ শাখাৰ) সমীৰণ বৈশ্যই জিলাখনত চলোৱা চাইবাৰ অপৰাধী বিৰোধী অভিযানে এতিয়া চাইবাৰ অপৰাধীসকলৰ নিদ্ৰা হৰণ কৰিছে। আনকি বহুকেইজন দুৰ্ধৰ্ষ চাইবাৰ অপৰাধীয়ে ঘৰ-বাৰী এৰি পলাই পত্ৰং দিয়া বুলিও জানিব পৰা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# নাবালিকাৰ গোপন ভিডিঅ’ সামাজিক মাধ্যমত আপলোড কৰি জেললৈ লম্পট যুৱক

**ই-সংবাদ, শিৱসাগৰ, ৭ জানুৱাৰীঃ** ফেচবুক, ইনষ্টাগ্ৰাম আদি সামাজিক মাধ্যমসমূহ এচামে সদ ব্যৱহাৰৰ পৰিবৰ্তে অসৎ কামত ব্যৱহাৰ কৰি সামাজিক ব্যাধিলৈ পৰ্যবসিত কৰিছে। চচিয়েল মেডিয়াক ভাল কামত ব্যৱহাৰ কৰি বৰ্তমান জগত জিনিব পাৰি যদিও এচাম নিকৃষ্ট মানসিকতাৰ লোকে আসুৰিক তৃপ্তি লাভৰ স্বাৰ্থত ব্যৱহাৰ কৰি বহুতৰে জীৱনলৈ সংকট নমাই আনিছে। আজি শিৱসাগৰত তেনে এক জঘন্য ঘটনাই পোহৰলৈ আহিছে। শিৱসাগৰ ৰংঘৰ চাৰিআলিৰ এগৰাকী লম্পট যুৱকে এগৰাকী নাবালিকাৰ অশ্লীল ভিডিঅ' চচিয়েল মেডিয়াত ভাইৰেল কৰি ৰঙাঘৰত সোমাবলগীয়া হোৱা ঘটনাই উদঙাইছে একাংশৰ নৈতিক তথা চৰিত্ৰ স্খলন হোৱাৰ ছবিখন। নাবালিকাৰ অশ্লীল ভিডিঅ' ম'বাইলত স্ক্ৰীন ৰেকৰ্ড কৰি পিছত সামাজিক মাধ্যমত বিয়াপাই দিয়াৰ অভিযোগত চাহিল খান নামৰ যুৱক জনক গ্ৰেপ্তাৰ কৰি শিৱসাগৰ সদৰ আৰক্ষীয়ে আদালতত হাজিৰ কৰোৱাই। তাৰ পিছতে শিৱসাগৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে। চাহিল খানে প্ৰথমে হিন্দু যুৱকৰ নামত ইনষ্টাগামত খুলিছিল ভুৱা একাউণ্ট। চাহিল খানে এক বছৰ আগেয়ে ৰনুজ দত্ত বুলি নিজকে পৰিচয় দি একাউণ্ট খুলিছিল ইনষ্টাগ্ৰামত। তাৰ পিছতে এগৰাকী হিন্দু ধৰ্মাৱলম্বী নাবালিকাৰ সৈতে গঢ়ে প্ৰেমৰ সম্পৰ্ক। কিছুদিন প্ৰেমৰ সম্পৰ্ক গঢ়াৰ পিছতে নাবালিকা গৰাকীৰ সৈতে কৰে ভিডিঅ' কল। ভিডিঅ' কলিং যোগে কথা পতাতে সীমাবদ্ধ নাথাকি চাহিলে নাবালিকা গৰাকীৰ অশ্লীল ভিডিঅ' সংগ্ৰহ কৰে আৰু সামাজিক মাধ্যমত আপলোড কৰে। এই তথ্য পোহৰলৈ অহাৰ পিছতে নাবালিকা গৰাকীৰ অভিভাৱকে শিৱসাগৰ থানাত দাখিল কৰে এজাহাৰ। আৰক্ষীয়ে ৩/২০২৫ নং গোচৰ ৰুজু কৰি পস্কো আইনৰ অধীনত গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। অন্যহাতে এই কাণ্ডত আন দুই যুৱক আৰু এগৰাকী যুৱতীয়েও সহযোগ কৰা বুলি সংবাদ মাধ্যমৰ আগত সদৰি কৰিছে জেল যাত্ৰাৰ আগেয়ে চাহিল খানে। বিষয়টোৰ সন্দৰ্ভত অধিক তথ্য লাভৰ বাবে শিৱসাগৰ আৰক্ষীয়ে অব্যাহত ৰাখিছে তদন্ত।

# খাৰুপেটীয়াত শোকাকুল পৰিৱেশত দুৰ্ঘটনাত নিহত অধ্যাপিকা ৰেহেনা জেচমিনাৰ জানাজা সম্পন্ন

**ই-সংবাদ, খাৰুপেটীয়া, ৭ জানুৱাৰীঃ** মঙলবাৰে সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত নগাঁৱত কৰুণ মৃত্যুক সাৱটি লোৱা খাৰুপেটীয়াৰ প্ৰাক্তন মন্ত্ৰী আব্দুল জব্বৰৰ জ্যেষ্ঠ কন্যা তথা মৈৰাবাৰী কলেজৰ অধ্যাপিকা ৰেহেনা জেচমিনাৰ নশ্বৰ দেহ আজি সন্ধিয়া পিতৃ গৃহ খাৰুপেটীয়া ঘনশিমুলীস্হিত গাঁৱলৈ আনে। আজি অধ্যাপিকা ৰেহেনা জেচমিনৰ নশ্বৰ দেহ পিতৃ গৃহলৈ অনাৰ পিছতে এক শোকাকুল পৰিবেশৰ সৃষ্টি হয়। পিছত আজি সন্ধিয়া ৭-৩০ বজাত দৰং জিলাৰ খাৰুপেটীয়া টাউন কবৰস্থানত দলগাওঁ, বেচিমাৰী ধুলা, খাৰুপেটীয়া, লালপুল কপাটি, মঙলদৈ আদি বিভিন্ন ঠাইৰ সম্পৰ্কীয় তথা গুণমুগ্ধসকলৰ উপস্থিতিত জানাজা সম্পন্ন কৰা হয়। উল্লেখ্য যে কালি হোজাই জিলাৰ লংকাৰ নখুটিৰ পৰা অধ্যাপিকা তথা প্ৰাক্তন মন্ত্ৰী আব্দুল জব্বৰৰ জ্যেষ্ঠ কন্যা জেচমিনাই নিজৰ বিলাসী গাড়ীৰে মৈৰাবাৰীৰ নিজ বাসভৱনলৈ স্বামী ছামছুদ্দিন মজুমদাৰৰ সৈতে একেলগে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই নগাঁৱৰ চলচলিত ৰাষ্ট্ৰীয় পথৰ সমীপতে এটি আঁহত গছত প্ৰচণ্ড জোৰে খুন্দিওৱাত স্বামী-স্ত্ৰী দুয়োয়ে গুৰুতৰভাৱে আহত হৈছিল। দুয়োকে নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাত জেচমিনাই কৰুণ মৃত্যুক সাৱটি লয়। জেচমিনাই মৃত্যুৰ সময়ত স্বামীসহ দুটাকৈ সন্তান, সম্পৰ্কীয় মানুহ এৰি যায়। জেচমিনাৰ আকস্মিক মৃত্যুত বিধায়ক মজিবুৰ ৰহমান, প্ৰাক্তন বিধায়ক ইলিয়াছ আলী, আমছুৰ মুখ্য উপদেষ্টা আইনুদ্দিন আহমেদ, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মহম্মদ আলী খলিফা, খাৰুপেটীয়া সাহিত্য সভাৰ সভাপতি ইমদাদুল ইছলামে গভীৰ শোক প্ৰকাশ কৰে। অধ্যাপিকাগৰাকীৰ মৃত্যুত বিভিন্ন ঠাইৰ লগতে বৃহত্তৰ খাৰুপেটীয়া অঞ্চলত শোকৰ ছাঁ পৰিছে।

# আজ্ঞাঠুৰি গণেশ মন্দিৰৰ সমীপত ট্ৰাক-বাইক দুৰ্ঘটনাত পতিত, গুৰুতৰভাৱে আহত পিতৃ-কন্যা

**ই-সংবাদ শুৱালকুছি, ৭ জানুৱাৰীঃ** কামৰূপ জিলাৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত আজ্ঞাঠুৰি ঐতিহাসিক গনেশ মন্দিৰ সমীপত হাজো-গুৱাহাটী লোক নিৰ্মাণ বিভাগৰ পথত আজি দুপৰীয়া সংঘটিত হোৱা ভয়ানক পথ দুৰ্ঘটনাত পিতৃ-কন্যা গুৰুতৰ ভাৱে আহত হয়। আৰক্ষী সূত্ৰে জানিব পৰামতে, আজ্ঞাঠুৰি গণেশ মন্দিৰ সমীপত হাজো-গুৱাহাটী পথৰে একে দিশত হাজো বৰপেটালৈ গৈ থকা অৱস্থাত AS01QC 6602 নম্বৰৰ ট্ৰাক আৰু এখন নতুন দুচকীয়া বাহনৰ মাজত দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত মটৰচাইকেল আৰোহী পিতৃ-কন্যা গুৰুতৰভাৱে আহত হয়। পিছত ঘটনাস্থলীত দদৰা আৰক্ষী উপস্থিত হৈ গুৰুতৰভাৱে আহত মটৰচাইকেল আৰোহী দুজনক আমিনগাঁৱৰ তোলাৰাম বাফনা চিকিৎসালয়ত ভৰ্তি কৰে। আঘাতপ্ৰাপ্ত মটৰচাইকেল আৰোহী দুগৰাকী হৈছে বৰপেটা জিলাৰ বেচিমাৰী পামৰ ফজৰ আলী (৪৫) আৰু তেওঁৰ কন্যা ফজুলা বেগম (২১) বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। আনহাতে, শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত শুৱালকুছি-শিঙিমাৰী চাৰিশৰীয়া পথৰ কিছুমৎ বংশৰ চ'কত একে ঠাইতে তিনিটা মটৰচাইকেল দুৰ্ঘটনা সংঘটিত হোৱাত গুৰুতৰভাৱে আহত হয় তিনি মটৰচাইকেল আৰোহী। উল্লেখ্য ব্ৰহ্মপুত্ৰৰ পৰা অবৈধ ভাৱে মাটি খনন কৰি উক্ত পথেৰে সৰবৰাহ কৰে। ফলত পথটো ধূলিময় হৈ পৰাত অবৈধ বালি মাটি সৰবৰাহকাৰীয়ে উক্ত পথত পানী মৰাৰ ফলত পথটি পিছল হৈ পৰে। ফলত উক্ত পথৰে চলাচল কৰা মটৰচাইকেল আৰোহী দুৰ্ঘটনাত পতিত হৈ আহত হ'ব লগা হৈছে। এই ক্ষেত্ৰত কামৰূপ জিলা প্ৰশাসনক সুব্যৱস্থা লবলৈ স্থানীয় সচেতন ৰাইজে আহ্বান জনাইছে।

Nucleomed- পেটসিটি স্কেন / PETCT Scan- 970701223


# গণৰাজ্য দিৱস উদযাপন সন্দৰ্ভত শদিয়াত বৈঠক

**ই-সংবাদ, ডুমডুমা, ৭ জানুৱাৰীঃ** শদিয়া সমজিলা প্ৰশাসনৰ উদ্যোগত আগন্তুক গণৰাজ্য দিৱস উদযাপনৰ সন্দৰ্ভত শদিয়া সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত আজি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সমজিলা আয়ুক্ত মানসজ্যোতি নাথৰ পৌৰোহিত্যত অনুষ্ঠিত হয় এই গুৰুত্বপূৰ্ণ বৈঠক। উক্ত বৈঠকত সমজিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াৰসকলৰ লগতে কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত বৈঠকত গণৰাজ্য দিৱস উদযাপনৰ কাৰ্যসূচীত ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে পৰ্যালোচনা কৰি সমজিলা আয়ুক্ত মানসজ্যোতি নাথে বিষয়া-কৰ্মচাৰী, কলেজ-স্কুলৰ অধ্যক্ষ, প্ৰধান শিক্ষক-শিক্ষয়ত্ৰীসকলক ৰাষ্ট্ৰীয় পতাকা সঠিক সময়ত উত্তোলন কৰিবৰ্লৈ নিৰ্দেশ দিয়াৰ লগতে এই ক্ষেত্ৰত যিকোনো অসুবিধাৰ সন্মুখীন হ'লে ততালিকে সমজিলা প্ৰশাসন বা শদিয়া আৰক্ষী জিলাৰ অধীক্ষকক অৱগত কৰিবলৈ আহবান জনায়। আৰক্ষী-প্ৰশাসনৰ তৰফৰ পৰা শদিয়া সমজিলাখনত ইতিমধ্যে নিৰাপত্তা ব্যৱস্থা তীব্ৰতৰ কৰি তোলা হৈছে বুলিও বৈঠকত আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। গণৰাজ্য দিৱস উদযাপনৰ ক্ষেত্ৰত শদিয়া সমজিলাবাসী ৰাইজক সমজিলা প্ৰশাসনক সহায়-সহযোগিতা আগবঢ়াবলৈও সমজিলা আয়ুক্ত নাথে বিশেষভাৱে আহবান জনায়। এই গুৰুত্বপূৰ্ণ বৈঠকত সহকাৰী আয়ুক্ত পৰ্চিয়া খনিকৰ, পৃথ্বীৰাজ শইকীয়া, ৰাজহ চক্ৰ বিষয়া জয়দ্বীপ ৰজক, প্ৰণাম আয়োগৰ আয়ুক্ত যুগবালা বুঢ়াগোহাঁই, অতিৰিক্ত আৰক্ষী অধীক্ষক অৰুণিমা ভূঞা, বিশিষ্ট সমাজসেৱক ব্যক্তি তথা ৰেডক্ৰচ ছ'চাইটীৰ সম্পাদক গুণীন চুতীয়াৰ উপৰি জ্যেষ্ঠ নাগৰিক, বিশিষ্ট অতিথিৰ লগতে জনসংযোগ বিভাগৰ আয়েজৰ ৰহমান প্ৰমুখ্যে কেবাগৰাকী বিষয়া উপস্থিত থাকে।

# বালাজানত চোৰাং গৰু জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৭ জানুৱাৰীঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত সাহেবগঞ্জত যোৱা নিশা আৰক্ষীয়ে এখন বিলাসীবাহনৰ পৰা তিনিটা চোৰাং গৰু উদ্ধাৰ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, অসাধু চক্ৰই প্ৰতিনিয়ত পশ্চিমবংগৰ পৰা বিলাসীবাহনত অসমলৈ চোৰাং গৰুৰ আমদানি অব্যাহত ৰাখিছে। অসম-পশ্চিমবংগ সীমান্তৰ খেৰবাৰী পোকালাগী আদি অঞ্চলৰে অসমত প্ৰৱেশ কৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৌৰীপুৰ অভিমুখে যাত্ৰা কৰে। যোৱা নিশা গোপন খবৰৰ ভিত্তিত বালাজান আৰক্ষী বালাজান চকত খাপপিটি আছিল। চোৰাং বেপাৰীয়ে আৰক্ষীৰ অৱস্থিতিৰ উমান পাই বালাজান চকৰ পূৰ্বে তামাৰহাট টাৰ্নিঙেৰে পলাবলৈ চেষ্টা কৰে। আৰক্ষীয়েও পিছে পিছে খেদি যায়। উপায়ন্তৰ হৈ সৰবৰাহকাৰীয়ে WB-74 G-2179 নম্বৰৰ এল্টো বাহনখন সাহেবগঞ্জত এৰি পলায়ন কৰে। আৰক্ষীয়ে বাহনখনত তালাচী চলোৱাত মুখ-ভৰি বন্ধা অৱস্থাত তিনিটা চোৰাং গৰু উদ্ধাৰ হয়। বালাজানত আটক হোৱাৰ পূৰ্বে বাহনখন আগমনি, গোলকগঞ্জ থানা আৰু হালাকুৰা আৰক্ষী তালাচী চকীৰ লগতে বেলগুৰিৰ আৰক্ষীৰ বেৰিকেড কেনেকৈ অতিক্ৰম কৰিবলৈ সক্ষম হ'ল ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# প্ৰেছ ক্লাবত পৰিণীতা বৰাৰ 'নব্য মাধ্যমত সাহিত্যঃ তত্ত্ব আৰু বিচাৰ' উন্মোচন




**ই-সংবাদ, গুৱাহাটী, ৭ জানুৱাৰীঃ** গুৱাহাটী প্ৰেছ ক্লাবত শনিবাৰে এক মনোজ্ঞ গ্ৰন্থ উন্মোচনী অনুষ্ঠান সম্পন্ন হয়। এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ড০ পৰিণীতা বৰাৰ 'নব্য মাধ্যমত সাহিত্যঃ তত্ত্ব আৰু বিচাৰ' শীৰ্ষক প্ৰথমখন নব্য মাধ্যমত সাহিত্য সম্পৰ্কীয় গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে, সাহিত্য-সমালোচক, নিৱন্ধকাৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড-বিভাস চৌধুৰী, লেখক, চিন্তাবিদ, সুবক্তা ময়ূৰ বৰা আৰু বিশিষ্ট কবি, অনুবাদক ড- লুটফা হনুম ছেলিমা বেগমে। অনুষ্ঠানত ভালেমান বিশিষ্ট ব্যক্তি, লেখক, শুভাকাংক্ষী উপস্থিত থাকে। ভাষণত অধ্যাপক ড০ বিভাস চৌধুৰীয়ে পৰিণীতা বৰাৰ গ্ৰন্থখনিয়ে নব্য মাধ্যমৰ সাহিত্য সম্পৰ্কত অধ্যয়ন-গৱেষণাৰ প্ৰতি আগ্ৰহীসকলক এক নতুন পথ প্ৰদৰ্শন কৰিব বুলি মন্তব্য কৰে। লগতে চিন্তাবিদ ময়ূৰ বৰাই নব্য মাধ্যমক ভিন্ন দৃষ্টিৰে আলোকপাত কৰাৰ লগতে লেখকক এই বিষয়ত অধ্যয়নত ব্ৰতী থাকিবৰ বাবে উৎসাহ তথা পৰামৰ্শ প্ৰদান কৰে। কবি ড০ লুটফা হনুম ছেলিমা বেগমে পৰিণীতা বৰাক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বৈদ্যুতিন সাহিত্যক অসমীয়া সাহিত্যৰ ইতিহাসত এক অধ্যায়ৰূপে সংযোজনকলৈ আশা ব্যক্ত কৰে। বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক শিল্পী শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত একেখন মহাবিদ্যালয়ৰে সহকাৰী অধ্যাপক বিদ্যুত দত্তই শলাগৰ শৰাই আগবঢ়ায়। লেখক আৰু প্ৰকাশক তথা পূৰ্বায়ণ প্ৰকাশনৰ স্বত্বাধিকাৰী ড০ অমৃত কুমাৰ উপাধ্যায়ে পাঠক সমাজে গ্ৰন্থখনক আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে।

# গোলাঘাটৰ জৱাহৰ নৱোদয় বিদ্যালয়ৰ ছাত্ৰৰ উদ্ভণ্ডালি

**ই-সংবাদ, খুমটাই, ৭ জানুৱাৰীঃ** গোলাঘাটৰ অগ্ৰণী শিক্ষা অনুষ্ঠান জৱাহৰ নৱোদয় বিদ্যালয়ত ছাত্ৰৰ অসভ্যালিৰ ঘটনা পোহৰলৈ অহাৰ মাজতে আন বিদ্যালয়খনৰ ছাত্ৰৰ এক উদ্ভণ্ডালিৰ ঘটনা পোহৰলৈ আহিছে। জানিব পৰা মতে, যোৱা নিশা ভাওনা চাই ঘূৰি আহোঁতে নিকৱৰ্তী গাঁৱৰ সুৰজ তামুলী নামৰ এজন যুৱকক বিদ্যালয়খনৰ পাঁচ ছাত্ৰই উপৰ্যুপৰি মাৰপিট কৰে। স্কুলৰ চাৰিসীমাৰ দেৱালৰ বাহিৰত ছাত্ৰকেইজনে যুৱকজনক মাৰপিট কৰে। স্থানীয় লোকে মাৰপিটৰ শব্দ




শুনি ৰাতি ওলাই আহি পাঁচ ছাত্ৰক হাতে-লোটে কৰায়ত্ত কৰে। ছাত্ৰকেইজনক পিছত স্থানীয় লোকে ঢেকীয়াল আৰক্ষী চকীৰ আৰক্ষীৰ হাতত গতাই দিয়ে। অন্যহাতে, সুৰজ তামুলীক আৰক্ষীয়ে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। এই ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। জৱাহৰ নৱোদয় বিদ্যালয়ৰ দৰে এখন আবাসিক বিদ্যালয়ৰ চাৰিবেৰ পাৰ হৈ আহি ছাত্ৰই এজন যুৱকক মুমূৰ্ষু কৰি মাৰধৰ কৰাক লৈ স্থানীয় লোকে উদ্বিগ্নতা প্ৰকাশ কৰে। স্থানীয় ৰাইজে জিলা প্ৰশাসনক বিদ্যালয়খনৰ প্ৰশাসনিক ব্যৱস্থা কটকটীয়া কৰাৰ বাবে দাবী জনোৱাৰ লগতে দোষী ছাত্ৰকেইজনক উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়।

## নিৰ্যাতনৰ ৫ দিন পিছতো আটক নহ'ল অভিযুক্ত

# গোলকগঞ্জৰ নালিয়া আৰক্ষী চকীত চলে দালালৰাজ!

**ই-সংবাদ, গোলকগঞ্জ, ৭ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ নালিয়া আৰক্ষী চকীৰ অন্তৰ্গত বেৰভাংগী দ্বিতীয় খণ্ড গাঁৱৰ চেংটীমাৰীত দুই জানুৱাৰীত বিদ্যালয়লৈ আহি থকা এগৰাকী ছাত্ৰীক নিৰ্যাতন চলোৱা অভিযুক্তক এজাহাৰ দিয়া সত্বেও পাঁচ দিনে আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম নোহোৱা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ক্ষুব্ধ ৰাইজে আজি পুৱা নালিয়া আৰক্ষী চকীত উপস্থিত হৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। প্ৰাপ্ত খবৰ মতে, গাঁওখনৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী বেৰভাংগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সিদিনা আহি থকা অৱস্থাত একে গাঁৱৰে ছোৱাহান আলীৰ পুত্ৰ ইন্তাজুল হকে অসৎ উদ্দেশ্যৰে ছাত্ৰীগৰাকীক অকলশৰে পাই টনা-আঁজোৰা কৰে। ছাত্ৰীগৰাকীয়ে চিঞৰ বাখৰ কৰাত স্থানীয় ৰাইজ গোট খাই যুৱকজনক মাৰপিট কৰে। এই সন্দৰ্ভত সিদিনাই পৰিয়ালৰ লোকে নালিয়া আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। কিন্তু থানাখনত প্ৰভুত্ব চলোৱা মধ্যভোগী দালালৰ বাবে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই অভিযুক্তক আটক কৰাৰ ন্যূনতম চেষ্টা নকৰি ঘটনাটো গাপ দিয়াৰ চেষ্টা চলোৱা বুলি ৰাইজে অভিযোগ কৰে। ইপিনে, পাঁচ দিনতো অভিযুক্তক আটক কৰিব নোৱাৰাৰ বাবে স্থানীয় ৰাইজ ক্ষুব্ধ হৈ পৰে। ক্ষুব্ধ ৰাইজে আৰক্ষী চকীত উপস্থিত হৈ অভিযুক্তক গ্ৰেপ্তাৰৰ দাবী জনায়। ৰাইজৰ দাবীৰ পৰিপ্ৰেক্ষিতত ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে চব্বিশ ঘণ্টাৰ ভিতৰত অভিযুক্ত ইন্তাজুলক গ্ৰেপ্তাৰৰ প্ৰতিশ্ৰুতি দিয়াত পৰিৱেশ শান্ত হয়।



**উমৰাংছুৰ খনিত আৱদ্ধ! কান্দোনত ভাঙি পৰিছে দৰঙৰ এজন শ্ৰমিকৰ আত্মীয়, ফটোঃ ই-সংবাদ খাৰুপেটীয়া**

# আমোলাপট্টি নিম্ন বুনিযাদী বিদ্যালয়ত শতবৰ্ষ অনুষ্ঠানৰ আয়োজন

**ই-সংবাদ, ডিব্ৰুগড়, ৭ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ আমোলাপট্টি চাৰিআলিৰ গাতে লাগি থকা জননেতা ৰমেশ চন্দ্ৰ বৰুৱা পথত অৱস্থিত ৬নং আমোলাপট্টি নিম্ন বুনিয়াদী বিদ্যালয়ৰ আগন্তুক শতবৰ্ষ উদযাপনৰ উদ্দেশ্যেৰে যোৱা ৪ জানুৱাৰীত আয়োজিত ৰাজহুৱা সভাখনি জ্যেষ্ঠ সমাজকৰ্মী অনিল দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। ৮৫ বছৰীয়া ৰেজিবুৰ ৰহমান(আনাৰ)কে আদিকে কৰি ভালেকেইগৰাকী বৰ্ষীয়ান প্ৰাক্তন ছাত্ৰ সমন্বিতে অন্যান্য প্ৰাক্তন শিক্ষাৰ্থী, বিদ্যালয়ৰ ন-পুৰণি শিক্ষককে ধৰি শুভাকাংক্ষী ৰাইজৰ উপস্থিতিৰে সম্পন্ন হোৱা সভাত তিনিদিনীয়া কাৰ্যসূচীৰে অহা ৯, ১০, ১১ মে'ত শতবৰ্ষ উদযাপনৰ দিন ঠিৰাং কৰা হয়। উল্লেখ্য যে ২০০০ চনত অনুষ্ঠিত হৈ যোৱা বিদ্যালয়খনিৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰা বিশিষ্ট সমাজকৰ্মী দুৰ্গা বৰঠাকুৰক সভাপতি, মনোৰম বৰুৱাক কাৰ্যকৰী সভাপতি, বিদ্যালয়খনৰ প্ৰধান, কৃতী শিক্ষয়িত্ৰী সংগীতা দেৱী আৰু অশোক বৰুৱাক যুটীয়া সম্পদক আৰু সৌভিক বৰদলৈক কোষাধ্যক্ষ, সুজালী সোণোৱাল, আৰিফা বেগম, ময়ুৰাক্ষী বৰুৱা, ভাৰতী বুঢ়াগোঁহাইক সাংস্কৃতিক সম্পাদিকা হিচাপে লৈ কেবাখনো উপ-সমিতিৰ আহ্বায়কৰে সভাত এখনি শক্তিশালী উদযাপন সমিতি গঠন কৰা হয়। বিদ্যালয়ৰ শতবৰ্ষ উদযাপনত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে সমিতিখনে।

## পৰিচালনা সমিতিৰ পদত্যাগৰ জনালে দাবী

# নীলবাগানত মাদ্ৰাছা ছাত্ৰৰ প্ৰতিবাদ

**ই-সংবাদ, মোৰাঝাৰ, ৭ জানুৱাৰীঃ** হোজাইৰ নীলবাগানত ছাত্ৰই আজি পুৱাৰে পৰা প্ৰতিবাদ সাব্যস্ত কৰে। নীলবাগানস্থিত দাৰুল উলুম মেধিগাঁও মাদ্ৰাছাৰ ছাত্ৰৰ বিভিন্ন সমস্যা সমাধান আৰু পৰিচালনা সমিতিৰ পদত্যাগৰ দাবীত এই প্ৰতিবাদ সাব্যস্ত কৰা দেখা যায়। উল্লেখ্য যে শতাধিক ছাত্ৰই শ্ৰেণী কোঠা এৰি মাদ্ৰাছাৰ চৌহদত দাবীসমূহ পূৰণৰ বাবে লিখিত অভিযোগ দি এই প্ৰতিবাদ সাব্যস্ত কৰে। মাদ্ৰাছা কৰ্তৃপক্ষই এই দাবীসমূহ পূৰণৰ বিপৰীতে দাৰুল উলুম মেধিগাঁও মাদ্ৰাছাৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদকে ছাত্ৰক ইতিকিং কৰাৰ উপৰি এগৰাকী ছাত্ৰক প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে, যাৰ ফলত ক্ষোভিত ছাত্ৰই মাদ্ৰাছা কমিটীৰ বিৰুদ্ধে এই প্ৰতিবাদ কৰে। ছাত্ৰৰ শৌচাগাৰ, বাথৰুম আদিকে ধৰি খোৱা-বোৱাৰ পৰ্যাপ্ত সুব্যৱস্থা কৰাৰ দাবী অভিযোগ পত্ৰত উল্লেখ কৰে। ইপিনে, মাদ্ৰাছা পৰিচালনা সমিতিয়ে ছাত্ৰৰ অভিযোগ নসাৎ কৰি যাৱতীয় বিষয় আলোচনা কৰি বিবেচনা কৰা হ'ব বুলি কোৱাৰ পিছতো ছাত্ৰই প্ৰতিবাদ কৰা কাৰ্য সহজে ল'ব পৰা নাই। আনফালে, এই কমিটীখনক একাংশই অবৈধ কমিটী আখ্যা দি শীঘ্ৰে কমিটীখন বাতিল কৰি সুস্থ সৱল কমিটী গঠনৰ পোষকতা কৰে।

# মুছলপুৰত আক্ৰাছুৰ শ্বহীদ দিৱস পালন

**ই-সংবাদ, মুছলপুৰ, ৭ জানুৱাৰীঃ** আজি আক্ৰাছুৰ ২৪ সংখ্যক শ্বহীদ দিৱস। বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী বড়িমাখা হৰি মন্দিৰ প্ৰাংগণত শ্বহীদ দিৱস পালন কৰা হয়। শ্বহীদসকলক সুঁৱৰি এই শ্বহীদ দিৱসৰ অনুষ্ঠানতে আক্ৰাছুৰ পশ্চিম বড়িমাখা শাখা সমিতিখনো গঠন কৰা হয়। এই উপলক্ষে মনসা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি হৰকান্ত ৰয়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত বাক্সা জিলা আক্ৰাছুৰ সভাপতি হিতেশ মেধিৰ উপস্থিতিত অনন্ত ৰয়ক সভাপতি আৰু নিৰ্মল দাসক সম্পাদক হিচাপে লৈ ১১ জনীয়া পশ্চিম বড়িমাখা শাখা সমিতিখন গঠন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি বাক্সা জিলা আক্ৰাছুৰ সভাপতি হিতেশ মেধিয়ে কমতাপুৰ পুনৰ গঠনৰ দাবী শীঘ্ৰেই মানি ল'বলৈ চৰকাৰক আহ্বান জনায়। ইয়াৰ পূৰ্বে বড়িমাখা হৰি মন্দিৰ প্ৰাংগণতে পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে।

# বৃহমপুৰ সমষ্টিত দলীয় পৰ্যালোচনা সভাত মন্ত্ৰী অজন্তা নেওগৰ অংশগ্ৰহণ

**ই-সংবাদ, পুৰণিগুদাম, ৭ জানুৱাৰীঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ বঢ়মপুৰ শ্বহীদ ভৱনত আজি বিয়লি আহি উপস্থিত হয়হি ৰাজ্যৰ বিত্তমন্ত্ৰী অজন্তা নেওগ। নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী হিছাপে থকা অজন্তা নেওগক বৰ্তমান দলে কলিয়াবৰ সাংগঠনিক জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰভাৰী হিছাপে নিযুক্তি দিছে আৰু আজি পোনপ্ৰথমবাৰৰ বাবে বঢ়মপুৰত দলীয় কৰ্মীৰ লগত মত-বিনিময় কৰিবলৈ আহি উপস্থিত হয়হি। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী আৰু কলিয়াবৰ জিলাৰ নৱনিযুক্ত বিজেপি দলৰ সভাপতি বাবুল বৰাৰ উপস্থিতিত দলীয় কৰ্মীৰ লগত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ ওপৰত আলোচনা কৰাৰ লগতে দলীয় বিষয়ববীয়াৰ লগত চিনাকি হয় আৰু মতামত গ্ৰহণ কৰে। ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বতৰাত মন্ত্ৰী গৰাকীয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনত অগপ দলৰ লগত কেনেধৰণে মিত্ৰতা হ'ব সেই সম্পৰ্কত কয় যে, দলীয় আলোচনাৰ অন্তত সেই সিদ্ধান্ত হ'ব। দলৰ তৃণমূল পৰ্যায়ত এই মিত্ৰতা সম্পৰ্কে আলোচনা হ'ব আৰু প্ৰতিটো বিধানসভা সমষ্টিত তৃণমূলৰ কৰ্মীসকলে যেনেধৰণে বিচাৰে তেনেধৰণেহে হ'ব বুলি মন্তব্য কৰে। ইফালে, উমৰাঙচুত শ্ৰমিকৰ মৃত্যুৰ সম্পৰ্কত কেনেধৰণে চৰকাৰে কাম কৰিছে সোধা প্ৰশ্নৰ উত্তৰত কয় যে, উদ্ধাৰ কাৰ্য্য চলি আছে আৰু শ্ৰমিকসকলৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত চৰকাৰে নিশ্চয় উপযুক্ত সিদ্ধান্ত ল'ব বুলি মন্তব্য কৰে। ইফালে, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে ভাষণ প্ৰসংগত কয় যে, বঢ়মপুৰত পঞ্চায়ত নিৰ্বাচন বহুত ভাল হ'ব। সকলো ঠাইতে পদুম ফুল ফুলিব। বঢ়মপুৰত এইবাৰ পঞ্চায়ত নিৰ্বাচনত বিৰোধী শূণ্য হ'ব বুলি মন্তব্য কৰি ২৯ টাৰ ভিতৰত আটাইকেইটা পঞ্চায়ত লাভ কৰিব বুলি মন্তব্য কৰে। আমাৰ দলত বিসম্বাদ নাই বুলি উল্লেখ কৰি বিধায়ক গোস্বামীয়ে কয় যে, আমি ৱাৰ্ড মেম্বাৰৰ টিকট নিদিও আঞ্চলিক সদস্যৰ টিকতহে দিম। অহা সপ্তাহত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰি কোনোবাজনে টিকট লাভ পৰা বঞ্চিত হ'লে তেওঁক দলে আন দায়িত্ব অৰ্পণ কৰিব। তেনেক্ষেত্ৰত বিসম্বাদ হোৱাৰ কোনো কাৰণ নাই বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। আজি দলীয় কৰ্মীৰ মত-বিনিময় সভাত কলিয়াবৰ জিলাৰ বিজেপিৰ বিষয়ববীয়া আৰু তৃণমূল পৰ্যায়ৰ বহু কৰ্মী উপস্থিত থাকি পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ জয় নিশ্চিত কৰাৰ সংকল্প লয়। কৰ্মীৰ মত-বিনিময় সভাত মন্ত্ৰী অজন্তা নেওগে দীঘলীয়া ভাষণেৰে সকলোকে উৎসাহিত কৰে।

## দুষ্টচক্ৰকে ধৰি মধ্যভোগীয়ে ল'লে চল্লিশ হাজাৰ টকা

# বৰপানী নদীত মাৰাত্মক বিহ ঢালি লক্ষাধিক মূল্যৰ মাছ নিধন

**ই-সংবাদ, কামপুৰ, ৭ জানুৱাৰীঃ** যোৱা নিশা এটা দুষ্ট চক্ৰই বৰপানী নদীৰ শিঙিমাৰী, জুৰিৰপাৰ আৰু মাধৰপাৰাত অতি শক্তিশালী বিহ ঢালি লাখ লাখ টকাৰ বিভিন্ন প্ৰজাতিৰ মাছ নিধন কৰা ঘটনাই প্ৰকৃতিপ্ৰেমী লোকক ভৱাই তুলিছে। প্ৰাপ্ত তথ্য মতে যোৱা নিশা ৰমনীপথাৰ-উজানমাৰীৰ দহজনীয়া এটা দুষ্ট মাছমৰীয়া চক্ৰই বৰপানী নদীৰ উল্লিখিত ঠাইসমূহত ইণ্ডিনজাতীয় মাৰাত্মক বিহ ঢালি মাছ নিধন যজ্ঞ চলায়। বিহ ঢালি দিয়াৰ লগে লগেই প্ৰকাণ্ড প্ৰকাণ্ড ৰৌ, বৰালি, আৰি, ঢেকেৰা প্ৰজাতিৰ মাছৰ লগতে সৰু প্ৰজাতিৰ মাছসমূহ মৰি পানীৰ ওপৰত ভাহি উঠে। কেইবা কুইন্টল মাছ নৌকাত ভৰাই দুষ্ট চক্ৰটোয়ে পলায় কৰে। ইপিনে, আজি পুৱালৈকে বিভিন্ন মাছ গেলি পচি নদীৰ পানীত বৈ যোৱা ৰাইজে প্ৰত্যক্ষ কৰে। নিবিদাৰ যোগেদি নদী ডাকত লোৱা মহলদাৰ চন্দ্ৰ কুমাৰ বিশ্বাসে এই দৃশ্য প্ৰত্যক্ষ কৰি পাগলৰ দৰে দুষ্ট চক্ৰটোক বিচাৰি ৰাইজৰ সহযোগত চাৰিটা অপৰাধীক হাতে-লোটে আটক কৰে যদিও ভদ্ৰতাৰ মুখা পিন্ধা একাংশ মধ্যভোগীয়ে আটক হোৱা চক্ৰটোৰ পৰা চল্লিশ হাজাৰ টকা লৈ ঘটনাটোক ঘাপ দি ৰখাৰ অভিযোগ উঠিছে। মাধৰপাৰা গাওঁ পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলাৰ খলিলুৰ ৰহমানৰ নেতৃত্বত একাংশ লোকে মাছ নিধন কৰা চোৰৰ পৰা শকত পৰিমাণৰ জৰিমনা আদায় কৰি এৰি দিয়ে বুলি জানিব পৰা গৈছে। নাম প্ৰকাশত অনিচ্ছুক একাংশ লোকে জনোৱা মতে, নদীপৰীয়া ঠাইৰ দুজন গাঁওৰক্ষী বাহিনীৰ সম্পাদকে দুষ্ট চক্ৰটোৰ নৌকা, যাঠী, জুং আৰু মৃত মাছৰ ফটো তুলি আৱক্ষীক জনোৱাৰ পৰিৱৰ্তে ক'লা ধন ঘটাত নামি পৰাৰ অভিযোগ উঠিছে। স্মৰ্তব্য যে প্ৰতি বছৰেই খৰালি দিনত এনে ধুৰন্ধৰ চক্ৰই তিনি-চাৰিবাৰকৈ বৰপানী নদীত বিহ ঢালি মাছ নিধন কৰে যদিও চৰকাৰী বন বিভাগ আৰু পুলিচ প্ৰশাসন কুম্ভকৰ্ণ নিদ্ৰাত থকাত সচেতন মহলে আশ্চৰ্য প্ৰকাশ কৰিছে।




নলবাৰীৰ বাউসীয়াপাৰা গাঁৰৰ পথাৰত উৰুকালৈ ৰৈ আছে 'মহাদেৱ-পাৰ্বতী', ফটোঃ ই-সংবাদ ব্যুৰ', নলবাৰী

# নলবাৰীত সম্প্ৰীতিৰ সাঁকো! ভোগালীলৈ ৰৈ আছে 'মহাদেৱ-পাৰ্বতী'

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৭ জানুৱাৰীঃ** নলবাৰীৰ বাউসীয়াপাৰা গাঁৰৰ পথাৰত উৰুকাৰ আনন্দ বিলাবলৈ ৰৈ আছে 'মহাদেৱ-পাৰ্বতী' নামৰ এখন আলট্ৰা বাছ। সংৰক্ষিত এই বাছখনে মাঘৰ মেজিৰ উম দিবলৈ গঞাৰ ৰাইজলৈ অপেক্ষা কৰিছে। এই বাছখন নিৰ্মাণ কৰোঁতে সময় লাগিছে ১২ দিন। পিছে ভেলাঘৰ সদৃশ এই আলট্ৰা বাছ তৈয়াৰ কৰি উলিয়াইছে গাঁওখনৰ যুৱকসকলে। নৰা আৰু বাঁহেৰে নিৰ্মাণ কৰা এই আলট্ৰা বাছখন প্ৰত্যক্ষ কৰিবলৈ বাউসীয়াপাৰা বৈশ্য চুবুৰীত এতিয়া ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। ভোগৰ উৎসৱ ভোগালীলৈ মাজত মাথোঁ ছয় দিন বাকী থকা অৱস্থাত গাঁওখনৰ পুৰুষ-মহিলা, ডেকা-বুঢ়া, মেঠা সকলোৱে সংকল্প লৈছে ভোগালীক আদৰিবলৈ। উল্লেখ্য যে উৰুকাত গঞাই এই পথাৰতেই হাঁহে-মাহে লগে ভাগে এসাজ খোৱাৰ বাবেও প্ৰস্তুতি চলাইছে। গাঁওখনত কি হিন্দু, কি মুছলিম সকলোৱে একেলগ হৈ সম্প্ৰীতিৰ সংকল্প ল'বলৈ লগতে মাঘৰ মেজিৰ উম ল'বলৈ সম্প্ৰীতিৰ এনাজৰী গঢ়ি তুলিছে। ভোগালী বিহুৰ প্ৰাক্কক্ষণত এই চুবুৰীৰ প্ৰতিঘৰৰ মহিলাই চুঙা পিঠা, তিল পিঠা, ঘিলা পিঠা, নাৰিকল পিঠা, কল পিঠা, তেল পিঠা তৈয়াৰ কৰাৰ লগতে জহা আৰু বৰা চাউলেৰে অতিথি আপ্যায়নৰ ব্যৱস্থা কৰিছে। উল্লেখ্য যে এই বাউসীয়াপাৰা-বৈশ্য চুবুৰীৰ গঞাই এইবেলি গাঁওখনত সম্প্ৰীতিৰ এনাজৰী অধিক কটকটীয়া কৰি তোলাৰ পণ লৈছে। সেই সূত্ৰে ভেলাঘৰ নিৰ্মাণ আৰু পিঠা-পোনা তৈয়াৰ কৰাৰ ক্ষেত্ৰতো ইছলাম ধৰ্মীয় লোকসকলো জড়িত হৈ পৰিছে। সেয়ে এইবেলি উৰুকাৰ দিনৰ পৰা এই গাঁওখনত পৰিস্ফুট হৈ পৰিব হিন্দু-মুছলিমৰ একতা আৰু সম্প্ৰীতিৰ বাণী। এনেকৈ এতিয়া উক্ত গাঁৰখনত এতিয়াৰে পৰা দেখা গৈছে ভোগালীৰ উছাহ।

# জাগীৰোডত আৰক্ষীৰ জালত ৮ হাইজেকাৰ

**ই-সংবাদ, জাগীৰোড, ৭ জানুৱাৰীঃ** জাগীৰোড আৰক্ষীৰ অভিযানত আটক হয় আঠটাকৈ হাইজেকাৰ। জাগীৰোডৰ আমলিঘাটৰ পৰা হাইজেক কৰা AS-01 RC-2819 নম্বৰৰ ছুপাৰি ভৰ্তি ট্ৰাকখন উদ্ধাৰ কৰে আৰক্ষীয়ে। ২৭ ডিচেম্বৰৰ নিশা এটা অচিনাক্ত দুষ্কৃতিকাৰীৰ দলে জাগীৰোডৰ আমলিঘাটৰ পৰা শিলচৰৰ পৰা হোজাই হৈ গুৱাহাটী অভিমুখী এখন ছুপাৰি ভৰ্তি ট্ৰাক হাইজেক কৰে। ঘটনা সন্দৰ্ভত জাগীৰোড আৰক্ষীয়ে অদম্য অব্যাহত ৰাখি দেওবাৰে কামৰূপৰ চাংসাৰিত পৰিত্যক্ত অৱস্থাত ট্ৰাকখন উদ্ধাৰ কৰাৰ লগতে ৮টা দুষ্কৃতিকাৰীক আটক কৰিবলৈ সক্ষম হয়। গোৱালপাৰা আৰু বৰপেটাৰ বিভিন্ন স্থানৰ পৰি আটক কৰে অপহৰণকাৰী কেইটাক। আটকাধীন অপহৰণকাৰীকেইটা ক্ৰমে মহম্মদ চবিতুল্লাহ, অভিজিত বসুমতাৰী, জেহেৰুল হক, আইনুজ হক, আলী আকবৰ, চান মামুদ, আমীৰ আলী আৰু চবুৰ উদ্দিন বুলি জানিব পৰা গৈছে। আনহাতে, আটকাধীন দুষ্কৃতিকাৰীকেইটাৰ কবলৰ পৰা ৩৮৫ টা ছুপাৰি ভৰ্তি বেগৰ লগতে বৰপেটা আৰু গোৱালপাৰাৰ বিভিন্ন প্ৰান্তৰ পৰা AS-01 GA-6086, AS-01 MC-1775 আৰু AS-01 RC-9194 নম্বৰৰ তিনিখন বাহন জব্দ কৰিবলৈ সক্ষম হয়। জাগীৰোড আৰক্ষীৰ এই অভিযানৰ সময়ছোৱাত বৰপেটা আৰু গোৱালপাৰা আৰক্ষীয়ে সহযোগিতা আগবঢ়ায়।



## বুজ ল'লে অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ সমস্যাৰাজিৰ

# ডিব্ৰুগড় আৱৰ্ত ভৱনত ৰাজ্যপাল লক্ষ্মণ আচাৰ্যৰ বৈঠক



**ই-সংবাদ, ডিব্ৰুগড়, ৭ জানুৱাৰীঃ** অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ উজনি অসম ভ্ৰমণ কাৰ্যসূচীৰ অংশ হিচাপে আজি ৰাজ্যখনৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ সৈতে ৰাজ্যপালগৰাকীয়ে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। অসমৰ ৰাজ্যপালগৰাকীয়ে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উন্নয়ন আৰু সমস্যাৰাজিৰ বিষয়ে ডিব্ৰুগড় আৱৰ্ত ভৱনত অনুষ্ঠিত হোৱা বৈঠকত বিশেষভাৱে আলোচনা কৰে। উক্ত বৈঠকত ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, জিলা আৰক্ষী অধীক্ষক, লোক নিৰ্মাণ বিভাগৰ অধীক্ষক অভিযন্তা আৰু বিষয়াবৰ্গ, জিলা ক্ৰীড়া বিষয়া, নিৰ্মাণকাৰী সংস্থাসমূহৰ প্ৰতিনিধিৰ সৈতে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড০ জে পি বাৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰ, পৰীক্ষা নিয়ন্ত্ৰক, শিক্ষক আৰু কৰ্মচাৰী প্ৰতিনিধিৰ সৈতে ৰাজ্যপালগৰাকীয়ে আলোচনা কৰে। ৰাজ্যপালগৰাকীয়ে উচ্চ শিক্ষানুষ্ঠানখনৰ ভূমিকে ধৰি সমগ্ৰ বিষয়সমূহ গুৰুত্ব সহকাৰে লোৱাৰ লগতে অতি শীঘ্ৰে বিভাগসমূহক নিজৰ নিজৰ দায়িত্ব পালন কৰাৰো নিৰ্দেশ প্ৰদান কৰে। ৰাজ্যপালগৰাকীয়ে বিষয়সমূহ কৰ্তপক্ষৰ পৰা শুনাৰ পাছত সকলো বিভাগক অতি সোনকালে বিশ্ববিদ্যালয়ৰ সমস্যাসমূহ সমাধান কৰি দেশৰ ভিতৰতে এখন উল্লেখযোগ্য বিশ্ববিদ্যালয় গঢ়ি তুলিবলৈ এক প্ৰকাৰ নিৰ্দেশ দিয়াৰ লগতে আহ্বান জনায়। তদুপৰি তেওঁ বিশ্ববিদ্যালয়ৰ পঞ্জীয়কক ডিব্ৰুগড় জিলা প্ৰশাসন, বিশ্ববিদ্যালয়ৰ আৰু ৰাজভৱনৰ মাজত সমন্বয়ৰক্ষী হিচাপে কাম কৰিবলৈ আদেশ দিয়ে। মন কৰিবলগীয়া বিষয় যে বিশ্ববিদ্যালয়খন স্থাপনৰ পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালতে ঘোষণা কৰা হৈছিল যদিও আজি পৰ্যন্ত ভূমিকে ধৰি নিজা স্থায়ী ভৱন, প্ৰয়োজনীয় কৰ্মচাৰীৰ ব্যৱস্থা হোৱা নাছিল। অলপতে ৰাজ্যপালে স্থায়ী পঞ্জীয়কক ধৰি আন আন বিষয়া-কৰ্মচাৰী নিযুক্তি দিয়াত এতিয়া বিশ্ববিদ্যালয়খনৰ কাম-কাজৰ গতি কিঞ্চিৎ হ'লেও লোৱা হৈছে আৰু অনাগত দিনত বিশ্ববিদ্যালয়খনে পূৰ্ণাংগ ৰূপ পাবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

# ৯ জানুৱাৰীৰ পৰা চৰাইদেউ মহোৎসৱ, প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ

**ই-সংবাদ, মথুৰাপুৰ, ৭ জানুৱাৰীঃ** বিশ্ব সাংস্কৃতিক ঐতিহ্য চৰাইদেউ মৈদাম ক্ষেত্ৰ প্ৰাংগণত লোককৃষ্টি গৱেষণা উন্নয়ন সমিতি, চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত ৯ জানুৱাৰীৰ পৰা ১১ জানুৱাৰী লৈকে তিনিদিনীয়া বৃহৎ কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ ২০২৫ উদযাপন কৰা হ'ব। প্ৰথম দিনাৰ কাৰ্যসূচী পুৱা মহোৎসৱৰ শুভাৰম্ভ কৰাৰ পাছত চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱে মহোৎসৱৰ মুখ্য তোৰণ মুকলি কৰিব। ইয়াৰ পাছতে উদযাপন সমিতিৰ সভাপতি তথা সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে পতাকা উত্তোলন, ডম্বৰু ৰাজকোঁৱৰ, ৰোহিনী মহনে স্মৃতি তৰ্পণ আৰু স্বৰ্গদেউসকললৈ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিব। দিনৰ ১০ বজাত ধৰ্মীয় পৰম্পৰাগত নীতিৰে টাই ম'লুংসকলৰ দ্বাৰা বান-ফি আৰম্ভ হ'ব। গ্ৰন্থবস্ত আৰু কৃষিমেলা উদ্বোধন কৰিব টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁয়ে। জনগোষ্ঠীয় পৰম্পৰাগত খাদ্যমেলা উদ্বোধন কৰিব মন্ত্ৰী যোগেন মহনে। নিশা সংগীতানুষ্ঠানৰ লগতে লোককৃষ্টি গৱেষণা আৰু উন্নয়ন সমিতি নিবেদিত বুৰঞ্জীমূলক নাটক 'মহাবীৰ লাচিত বৰফুকন' মঞ্চস্থ কৰা হ'ব। ১০ জানুৱাৰীত পুৱা চৰাইদেউ জিলা আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেছাৰে সমূহীয়া মাৰাথান দৌৰ উদ্বোধন কৰিব। ইয়াৰ পাছতে থলুৱা পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা, দুপৰীয়া ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বঁটা বিতৰণী আৰু মুকলি সভা অনুষ্ঠিত হ'ব। সভাত নিৰ্দিষ্ট বক্তা হিচাপে সাংবাদিক ৰাজদীপ বাইলুং বৰুৱা। ১১ জানুৱাৰীত দিনৰ ১২.৩০ বজাত উদযাপন সমিতিৰ সভাপতি ধৰ্মেশ্বৰ কোঁৱৰৰ সভাপতিত্বত হ'বলগীয়া মুকলি সভাত অতিথি হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, অৰুণাচল প্ৰদেশৰ কেবিনেট মন্ত্ৰী গ্ৰেবিয়েল ডেনৱাং ৱাংশু আৰু নাগালেণ্ড চৰকাৰৰ মন্ত্ৰী টেমজিন ইমনা আলং উপস্থিত থাকিব। শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্তই স্মৃতিগ্ৰন্থ উন্মোচন কৰিব। নিশালৈ আমন্ত্ৰিত শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

# বালিজান প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত ৰিলিফ ৰাইন'ছ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৭ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ ৰঙাদৰীয়াৰ সমীপৰ বালিজানৰ চানৰাইজ ক্লাবৰ উদ্যোগত বালিজান খেলপথাৰত সদৌ অসম ভিত্তিত চলি থকা 'ক্ৰিকেট মহাৰণ ২০২৪-২৫'ত নগাঁৱৰ ৰিলিফ ৰাইন'ছ ছেমিফাইনেলত উপনীত হৈছে। এই প্ৰতিযোগিতাৰ যোৱা ৫ জানুৱাৰীত অনুষ্ঠিত অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত ৰিলিফ ৰাইন'ছ দলে অধিনায়ক এইছ আৰু মিণ্টুৰ অলৰাউণ্ড প্ৰদৰ্শনৰ সহায়ত ধুপগুৰি ইলেভেন ষ্টাৰ ক্লাবক দুই উইকেটত পৰাজিত কৰে। খেলখনত ধুপগুৰি ইলেভেন ষ্টাৰ ক্লাবে পোনতে বেট ধৰি নিৰ্ধাৰিত ১০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১১১ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰিলিফ ৰাইন'ছ দলটোৱে ৮.৫ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১১২ ৰাণ সংগ্ৰহৰে বিজয়লক্ষ্যত উপনীত হয়। নজৰুল ইছলাম আৰু জেহিৰুল হক আম্পায়াৰৰূপে থকা খেলখনত ৰিলিফ ৰাইন'ছৰ এইছ আৰু মিণ্টুয়ে প্লেয়াৰ অব দ্যা মেচৰ বঁটা লাভ কৰে। উল্লেখ্য যে, খেলখনত ধাৰাভাষ্যকাৰ মুকছিদুল হকে সাৱলীলভাৱে ইংৰাজী ভাষাত ধাৰাবিৱৰণী আগবঢ়াই ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰে।

# আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলিব উমা চেত্ৰীয়ে

**ই-সংবাদ, গুৱাহাটী, ৭ জানুৱাৰীঃ** আকৌ ভাৰতীয় দলৰ হৈ খেলিবলৈ সাজু হৈছে অসম কন্যা উমা চেত্ৰী। এদিনীয়া আন্তৰ্জাতিক শৃংখলাত ভাৰতীয় মহিলা ক্ৰিকেট দলত স্থান লাভ কৰিছে ক্ৰিকেটাৰগৰাকীয়ে। উল্লেখ্য যে, বোকাখাতৰ কন্যা উমা চেত্ৰীয়ে আয়াৰলেণ্ডৰ বিৰুদ্ধে এদিনীয়া আন্তৰ্জাতিক শৃংখলাত ভাৰতীয় দলৰ হৈ খেলিব। এই তিনিখনীয়া এদিনীয়া শৃংখলাখন অনুষ্ঠিত হ'ব গুজৰাটৰ ৰাজকোটত। ভাৰতীয় দলত উমাৰ স্থান লাভৰ পিছতে উৎফুল্লিত হৈ পৰিছে অসমৰ ক্ৰিকেট অনুৰাগী। উল্লেখ্য যে, ২০২৩ চনৰ জুন মাহত উমা চেত্ৰীয়ে সেই বৰ্ষৰ এ চি চি মহিলা টি-২০ ইমাৰ্জিং টিমছ এছিয়া কাপত ভাৰতীয় এ দলৰ হৈ খেলাৰ সুযোগ লাভ কৰিছিল। ইয়াৰ পিছতে ২০২৩ চনৰ জুলাই মাহত অসম কন্যাগৰাকীয়ে প্ৰথমবাৰৰ বাবে ভাৰতীয় মহিলা ক্ৰিকেট দলত স্থান লাভ কৰি বাংলাদেশৰ বিৰুদ্ধে টি-২০ শৃংখলাত খেলপথাৰত নামিছিল।



কেপটাউনত অনুষ্ঠিত দ্বিতীয় টেষ্টত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পাকিস্তানৰ আমেৰ জামালৰ দৰ্শনীয় শ্বট

## বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীয়ে সলনি কৰিছে টেষ্ট ক্ৰিকেটৰ ভৱিষ্যত

# টেষ্ট ক্ৰিকেটক অধিক জনপ্ৰিয় কৰাৰ লক্ষ্য জয় শ্বাহৰ

**ছিডনী, ৭ জানুৱাৰীঃ** টি-২০ ক্ৰিকেটৰ জনপ্ৰিয়তাই বৰ্তমান সময়ত টেষ্ট ক্ৰিকেটৰ ভৱিষ্যতক লৈ সৃষ্টি কৰিছে সন্দেহৰ। নতুন বহু দেশে শেহতীয়া সময়ত ক্ৰিকেটৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিলেও তেওঁলোকৰ আগ্ৰহ সীমিত হৈ আছে কেৱল চুটি ফৰ্মেটত। এনে পৰিস্থিতিত শেহতীয়াকৈ সমাপ্ত হোৱা বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীয়ে এক নতুন আশাৰ বতৰা কঢ়িয়াই আনিছে টেষ্ট ক্ৰিকেটৰ ভৱিষ্যতৰ প্ৰতি। বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীত অভূতপূৰ্ব দৰ্শকৰ উপস্থিতিয়ে অভিলেখ গঢ়াৰ পিছত এতিয়া টেষ্ট ক্ৰিকেটক অধিক আকৰ্ষণীয় কৰি তুলিবলৈ বৃহৎ পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা কৰিছে আই চি চিয়ে। টেষ্ট ক্ৰিকেটক টায়াৰ ১ আৰু টায়াৰ ২ত ভাগ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে আই চি চিয়ে। সূত্ৰৰ খবৰ অনুসৰি, এই বিষয়ত অষ্ট্ৰেলিয়া আৰু ইংলেণ্ড ক্ৰিকেট ব'ৰ্ডৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হ'ব আইচিচিৰ অধ্যক্ষ জয় শ্বাহে। উল্লেখ্য যে, নতুন প্ৰস্তাৱ অনুসৰি টায়াৰ ১ত অন্তৰ্ভুক্ত হ'ব ভাৰত, অষ্ট্ৰেলিয়া, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা, নিউজিলেণ্ড, পাকিস্তান আৰু শ্ৰীলংকাৰ ক্ৰিকেট দল। আনহাতে টায়াৰ ২ত বাংলাদেশ, ৱেষ্ট ইণ্ডিজ, জিম্বাব'ৱে, আফগানিস্তান আৰু আয়াৰলেণ্ড অন্তৰ্ভুক্ত হ'ব। যদি এই ফৰ্মেট কাৰ্যকৰী কৰা হয় তেন্তে টায়াৰ ১ দলৰ মাজত অধিক মেচ আয়োজন কৰা সম্ভৱ হ'ব। কিন্তু ২০২৭ চনলৈকে নিৰ্ধাৰিত পৰীক্ষা চক্ৰত এই পৰিৱৰ্তন কাৰ্যকৰী কৰাটো সম্ভৱ নহয় বুলি জানিব পৰা গৈছে। প্ৰসংগক্ৰমে ২০১৬ চনতো টেষ্ট ক্ৰিকেটক দুটা ভাগত বিভক্ত কৰাৰ প্ৰস্তাৱ আহিছিল। কিন্তু বিচিচিআইকে ধৰি একাধিক ব'ৰ্ডৰ বিৰোধিতাৰ বাবে এই প্ৰস্তাৱ নাকচ কৰা হয়। তেওঁলোকে দাবী কৰিছিল যে সৰু সৰু দলসমূহ এই ব্যৱস্থাত আৰু পিছ পৰি থাকিব আৰু টেষ্ট ক্ৰিকেটত উন্নতিৰ সুযোগ হেৰুৱাব। অৱশ্যে বৰ্তমানৰ পৰিস্থিতি বেলেগ। দৰ্শকে কিছুমান বিশেষ দলৰ টেষ্ট মেচৰ প্ৰতি অধিক আগ্ৰহী হোৱা পৰিলক্ষিত হয়। আইচিচিয়ে এই প্ৰস্তাৱ কাৰ্যকৰী কৰিবলৈ বিচাৰিছে যদিও কেৰিবিয়ানৰ প্ৰাক্তন তাৰকা ক্লাইভ লয়ডে ইয়াৰ বিৰোধিতা কৰিছে। তেওঁৰ মতে এই ব্যৱস্থা প্ৰৱৰ্তন কৰিলে বহু দলে পৰ্যাপ্ত মেচ খেলাৰ সুযোগ নাপাব।

# ড'পিঙেই ডুবাইছে ভাৰতীয় ক্ৰীড়াক

**নতুন দিল্লী, ৭ জানুৱাৰীঃ** ক্ৰীড়া ক্ষেত্ৰত ভাৰতে সফলতাৰ জয়গান গালেও শেহতীয়া সময়ত দেশৰ ক্ৰীড়া খণ্ডৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে ড'পিঙৰ সমস্যা। শেহতীয়াকৈ ৱৰ্ল্ড এণ্টি ডপিং এজেন্সী (ৱাডা)ৰ এক প্ৰতিবেদনত প্ৰকাশ পোৱা উদ্বেগজনক তথ্য অনুসৰি, ২০২২ চনত বিশ্বৰ ভিতৰতে সৰ্বাধিক নিষিদ্ধ মাদক সেৱনৰ তালিকাত শীৰ্ষস্থানত ৰৈছে ভাৰতীয় ক্ৰীড়াবিদ। এই সন্দৰ্ভত সম্প্ৰতি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অলিম্পিকৰ স্বৰ্ণ পদক বিজয়ী খেলুৱৈ নীৰজ চোপ্ৰাইও। ভাৰতৰ অন্যতম সফল আৰু জনপ্ৰিয় জেভেলিন থ্ৰ'ৱাৰগৰাকীয়ে কয়, "ড'পিং এতিয়া দেশৰ খেলুৱৈসকলৰ বাবে আটাইতকৈ ডাঙৰ সমস্যা। এই অভ্যাসটো এবাৰ গঢ় লৈ উঠিলেই ইয়াক ভংগ কৰাটো কঠিন হৈ পৰে। খেলুৱৈসকলে ভাবে যে ড'পিঙে তেওঁলোকৰ প্ৰদৰ্শন উন্নত কৰাত সহায় কৰিব, কিন্তু সেয়া সম্পূৰ্ণ ভুল। কঠোৰ পৰিশ্ৰম, আত্মবিশ্বাস, আৰু প্ৰশিক্ষকৰ নিৰ্দেশনা অনুসৰণ কৰিলে উন্নতি সম্ভৱ। ড'পিঙৰ বাবে ধৰা পৰিলে ২-৪ বছৰ ধৰি খেলৰ পৰা আঁতৰি থাকিব লাগিব, যিটো খেলুৱৈজনৰ কেৰিয়াৰৰ বাবে ভয়ংকৰভাৱে ক্ষতিকাৰক।" ইফালে প্ৰশিক্ষকৰ ভূমিকাক গুৰুত্ব দি নীৰজে কয় যে প্ৰশিক্ষকসকলে তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব আৰু খেলুৱৈসকলক পতিয়ন নিয়াব লাগিব যে ড'পিং কোনো কাৰণতে উপকাৰী নহয়। ড'পিং হ্ৰাস কৰিলে দেশৰ ক্ৰীড়া খণ্ডৰ বহুখিনি উন্নতি হ'ব। এই ধাৰাটো সোনকালে বন্ধ কৰাটো প্ৰয়োজন।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি